সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৪২ সংখ্যা, ১ কাতি, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 42 Date of Publication- 19 October 2025 Rs. 10.00/-

## জুবিনক বিদেশলৈ নি সাগৰত নামিবলৈ দিয়াটো ডাঙৰ ভুল আছিলঃ ডাঃ হিতেশ বৰুৱা



ৰঙিলী বাৰ্ত্তাসেৱা- শিল্পী জুবিন গাৰ্গৰ স্বাস্থ্য সম্পৰ্কীয় বিষয়ক লৈ তৃতীয়বাৰৰ বাবে এছআইটিত হাজিৰ হৈ ভাষ্য প্ৰদান কৰে চিকিৎসক ডাঃ হিতেশ বৰুৱাই। এছআইটিক ভাষ্য প্ৰদানৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত চিকিৎসক ডাঃ হিতেশ বৰুৱাই কয় যে, জুবিন গাৰ্গক জুই আৰু পানীৰ পৰা সদাই আঁতৰত থাকিবলৈ চিকিৎসকৰ দলে পৰামৰ্শ প্ৰদান কৰা হৈছিল। পৰিয়ালৰ লগতে তেওঁৰ মেনেজাৰ, বন্ধুক সমগ্ৰ বিষয়টো চিকিৎসকৰ দলে বুজায়ো দিছিল। পূৰ্বতেও ছিজাৰত আক্ৰান্ত হোৱাৰ পাছত এটা চিকিৎসকৰ দলে তেওঁক চিকিৎসা কৰিছিল। হাস্পতালৰ পৰা যাবলৈ দিয়াৰ পাছত পৰিয়াল তথা ঘনিষ্ঠ লোকক সকলোখিনি বুজাই দিয়া হৈছিল। ইমানখিনি জনাৰ পাছতো তেওঁক বিদেশলৈ নিয়াটো ডাঙৰ ভুল আছিল। দ্বিতীয়টো ভুল হৈছে সাগৰলৈ নিয়াটো। তৃতীয়টো ভুল হৈছে সাগৰত নমাই দিয়াটো আৰু চতুৰ্থটো ভুল হৈছে সাগৰৰ পৰা তেওঁক নবচোৱাটো। তেওঁ কয় যে এজন-দুজন নহয়, ১৬জনকৈ মানুহে দেখা পাইছে জুবিন গাৰ্গ সংকটত পৰিছে। সেই মানুহখিনিয়ে তেওঁক উদ্ধাৰ কিয় নকৰিলে আৰু লগে লগে তেওঁক হাস্পতাললৈ কিয় নিয়া নহ'ল। গোটেই প্ৰক্ৰিয়াটোক এক অৱহেলা বুলি মন্তব্য কৰি ডাঃ বৰুৱাই উপযুক্ত তদন্ত কৰি দোষীক কঠোৰ শাস্তি দিয়াৰ আহ্বান জনায়। তদন্ত খৰতকীয়া কৰিবলৈ এছআইটিক তেওঁ অনুৰোধ জনায়। শিল্পীগৰাকীয়ে সেৱন কৰা দৰৱ সন্দৰ্ভতো ডাঃ বৰুৱাই কয় যে কেইবাবিধো দৰৱ জুবিনক দিয়া হৈছিল। ছিজাৰৰ দৰব খোৱাটো বাধ্যতামূলক আছিল। মৃত্যুৰ দিনাখন সেই দৰববিধ খাইছিল নে নাই সেয়া মই নাজানো কিন্তু উক্ত (দহ পৃষ্ঠাত চাওক)

## প্ৰাণৰ শিল্পী জুবিন গাৰ্গ বিহীন এটা মাহ



ৰঙিলী বাৰ্ত্তাসেৱা- ১৯ ছেপ্টেম্বৰ সেইদিনা দিনৰ ভাগত ছিংগাপুৰৰ পৰা আহিছিল এক হৃদয়বিদাৰক খবৰ। অসমবাসীয়ে কোনোকালে কল্পনা কৰিব নিবিচৰা সেই খবৰটো। “জুবিন গাৰ্গ আৰু নাই”, এই খবৰটো পোৱাৰ মাত্ৰকে ক'ৰবাৰত সময়ো যেন থমকি ৰৈ গৈছিল। ছিংগাপুৰৰ সাগৰত সাঁতুৰিবলৈ গৈ হেৰাই থাকিল অসমৰ হিয়াৰ আমঠু। সাগৰ তলিত শুৱ বিচৰা অসমীয়াৰ প্ৰাণ, হাৰ্টথ্ৰৰ চিৰদিনৰ বাবে শুই পৰিল সাগৰ তলিতে। (দহ পৃষ্ঠাত চাওক)

## ৰাজ্যৰ ৩৬ গৰাকী শীৰ্ষ আৰক্ষী বিষয়াক ৰদবদল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ গৃহ বিভাগে অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত ব্যাপক সাল-সলনি ঘটাইছে। ৰাজ্যৰ কেইবাগৰাকী জ্যেষ্ঠ আৰক্ষী অধীক্ষকক ৰদবদলৰ নিৰ্দেশ দিছে গৃহ বিভাগে। শুকুৰবাৰে গৃহ বিভাগে জাৰি কৰা এক নিৰ্দেশনা অনুসৰি ৩৬গৰাকী জ্যেষ্ঠ আৰক্ষী অধীক্ষক পৰ্যায়ৰ বিষয়াক বিভিন্ন জিলালৈ সালসলনি ঘটোৱা হৈছে। শ্ৰীভূমিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম দাসক কাছাৰ জিলালৈ বদলি কৰা হৈছে। আনহাতে ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেক শ্ৰীভূমিলৈ বদলি কৰা হৈছে। অসম চতুৰ্থ আৰক্ষী বেটেলিয়নৰ অধিনায়ক দেৱাশিস বৰাক লীনা দলেৰ ঠাইত ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। কাছাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাক কোকৰাঝাৰ জিলালৈ বদলি কৰা হৈছে। কোকৰাঝাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙক কাৰ্বি আংলঙলৈ বদলি কৰা হৈছে। কাৰ্বি আংলঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ ( দুই পৃষ্ঠাত চাওক)

## মন্ত্ৰী হিচাপে শপত ল'লে বি পি এফৰ বিধায়ক চৰণ বড়োৱে



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হ'ল আন এগৰাকী মন্ত্ৰী। নতুন মন্ত্ৰী ৰূপে শপতগ্ৰহণ কৰে বিপিএফৰ বিধায়ক চৰণ বড়োৱে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই চৰণ বড়োক শপত বাক্য পাঠ কৰোৱাই । ইংৰাজীতে শপত বাক্য পাঠ কৰে চৰণ বড়োৱে। এই শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি মন্ত্ৰীসভাৰ সদস্যসকল, বি টি চি প্ৰধান হাগ্ৰামা (দহ পৃষ্ঠাত চাওক)

## '২৬ৰ নিৰ্বাচনত আমি এক সমন্বিত ৰণকৌশল প্ৰস্তুত কৰিমঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ মিত্ৰদল কোন হ'ব তাক লৈ অচিৰেই দলকেইটাৰ সৈতে আলোচনাত মিলিত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰিলে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- '২৬ৰ নিৰ্বাচনত আমি এক সমন্বিত ৰণকৌশল প্ৰস্তুত কৰিম। সকলোৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমত ( দুই পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান....

# নিচা

দেৱাশীষ গোস্বামী, নগাঁও



সাধাৰণতে শুনিলেই সকলোৰে মন প্ৰাণ পুলকিত হোৱা এটা শব্দ- নিচা। চৰিত্ৰ ভেদে, প্ৰকাৰ ভেদে আমাৰ প্ৰত্যেকৰে নিচা বোৰও ভিন্ন। নিচা অবিহনে আমাৰ জীৱন তেনেই বৃথা। প্ৰকৃত অৰ্থত জীৱন জীয়াবলৈ নিচা অপৰিহাৰ্য। যি কৰ্মৰ দ্বাৰা আমি নৈমিত্তিক সুখানুভূতি লাভ কৰোঁ, সেইয়াই নিচা। মূলতঃ নিচা দুই প্ৰকাৰৰ- ভাল নিচা, বেয়া নিচা।

ভাল নিচাৰ পৰিণতি কেৱল সৃষ্টি, ধনাত্মক সৃষ্টি। বিপৰীতে বেয়া নিচাৰ পৰিণতি কেৱল মাত্ৰ ধ্বংস।

স্বতঃস্ফূৰ্ত ভাবে আমি কৰি ভালপোৱা কামবোৰেই আমাৰ নিচা। বহুতো নিচা কালক্ৰমত আমি জীৱনৰ পেছা হিচাপেও গ্ৰহণ কৰোঁ। উদাহৰণস্বৰূপে গান-বাজনা, সাহিত্য চৰ্চা, শিক্ষকতা, দেশৰ হকে উৎসৰ্গিত মানসিকতা, দহক সহায় কৰাৰ মানসিকতা অৰ্থাৎ সমাজ সেৱা ইত্যাদি ইত্যাদি।

উক্ত উল্লেখিত নিচা সমূহ নাম মাত্ৰ উদাহৰণেহে, এনেবোৰ নিচাত সোমাই আছে অফুৰন্ত সৃষ্টিৰ উৎস।

আন কিছুমান নিচা আছে, যি আমাৰ বাবে, দহৰ বাবে, সমাজৰ বাবে অতি ভয়ংকৰ, ধ্বংসৰ কাৰক, উদাহৰণস্বৰূপে, নানান মাদক দ্ৰব্যৰ নিচা, যাৰ অবিহনে আমাৰ তেজত পিৰপিৰণি উঠে, দেহা অস্থিৰ হৈ পৰে। তেনে নিচাৰ কবলত পৰি নানান অঘটন, সমাজ বিৰোধী বিভিন্ন কৰ্মৰ পয়োভৰ, মুঠতে নিজৰ দেহৰ লগতে সমাজৰ, দেশৰ ক্ষতি মাত্ৰ ক্ষতি।

পিছে বৰ্তমানৰ প্ৰেক্ষাপতত আন এটা নিচাই আমাৰ সমাজখনত অতিকৈ শিপাইছে, যিটো নিচাৰ বাবে আমি গৰিষ্ঠ সংখ্যক হাবাথুৰি খাই ফুৰো। হয়, মই আমাৰ বিভিন্নকৰ্মৰাজীৰ 'অনুৰাগী'ৰ কথাই কৈছো। 'অনুৰাগী' বা 'Followers' বৰ্তমান সময়ৰ আমাৰ জীৱনৰ এক অভিন্ন অংগ। তেওঁলোকেই আমাৰ উৎসাহ তথা অনুপ্ৰেৰণাৰ উৎস। উদাহৰণস্বৰূপে জুবিন গাৰ্গ। তেওঁৰ অনুৰাগী সকলৰ বিষয়ে আজিৰ পুনৰাই দোহৰাৰ প্ৰয়োজন নাই। কিন্তু তাৰ বিপৰীতে সমাজৰ কেওঁ কিছু বিশিষ্ট (?) ব্যক্তিৰ অন্ধ অনুৰাগীৰ নিচাই উক্ত ব্যক্তি সকলৰ চিন্তা শক্তি লোপ পোৱাই, বিবেক বৰ্হিভূত কৰ্মৰে তিলতিলকৈ ধ্বংসৰ গৰাহলৈ আগুৱাই যে নি আছে, ৰাখিছেনে বাৰু খবৰ কোনোবাই?

আমিবোৰে নিজকে 'God Father' হিচাপে প্ৰতিষ্ঠা কৰিবলৈ গৈ, চকুৰ সন্মুখৰ অন্ধ অনুৰাগীৰ পৰ্দা খনে অন্ধকাৰ ভবিষ্যতৰ দিশে গতি কৰাৰ উমানেই পাবলৈ নিদিয়ে। গম পোৱালৈ সময় পাৰ হৈ যায়।

আমি দৈনন্দীত জীৱন যুদ্ধত সম্পাদন কৰা সকলো কৰ্মই শুদ্ধ বা সঠিক নহবও পাৰে। আমি বিপদত তেতিয়াই পৰো যেতিয়াই আমাৰ প্ৰত্যেকটো কৰ্মই 'Perfect' বুলি ভাবিবলৈ আৰম্ভ কৰো, শুদ্ধা শুদ্ধ বিচাৰ কৰাৰ ক্ষমতা বিবেকে হেৰুৱাই পেলায়। বিপদ বেচি ঘণীভূত হ'বলৈ আৰম্ভ কৰে তেতিয়াই, যেতিয়া আমাৰ অনুৰাগী সকল অন্ধ হৈ পৰে। অন্ধ অনুৰাগী বা 'Followers' সকলে আমাৰ কৰ্মত ভুল নেদেখা হৈ পৰে। আমাৰ ভাল বেয়া সকলো কামতে অন্ধ সমৰ্থন কৰিবলৈ আৰম্ভ কৰে। আমিও অনুৰাগী বা 'Followers' গোটোৱাৰ ধান্দাত, যিটো বৰ্তমান সময়ত এটা অতি বেয়া নিচালৈ পৰিবৰ্তন হৈছে, বিবেকৰ উৰ্দ্ধত গৈ দিক বিদিক হেৰুৱাই, নিচাসক্ত মানুহৰ দৰে হৈ পৰে আমাৰ আচাৰ-ব্যৱহাৰ, কৰ্ম-কাণ্ড। চকু খোল খাই, ভাল বেয়া বিচাৰ কৰাৰ ক্ষমতা ঘূৰাই পাওঁ পাওঁ মানে আমিবোৰ সেই স্থান পাওঁগে, য'ৰ পৰা 'POINT OF NO RETURN'।

# বিমান বন্দৰত দিদৃক্ষা সোণোৱালক আদৰণি অসম জাতীয় পৰিষদৰ

ৰঙিলী বাৰ্তাসেৱা- বিহুনৃত্যৰে মুম্বাইত বিশ্ব অভিলেখ গঢ়ি ৰাজ্যলৈ ঘূৰি অহা অসমকন্যা দিদৃক্ষা সোণোৱালক গুৱাহাটী বিমান বন্দৰত আদৰণি জনায় অসম জাতীয় পৰিষদে। দিদৃক্ষাই মাত্ৰ ৩০ ছেকেণ্ডত সৰ্বাধিকবাৰ বিহু নৃত্যৰ 'টাকুৰী ঘূৰি' গঢ়িছে এই বিশ্ব অভিলেখ। গুৱাহাটীৰ মালিগাঁৱৰ জীয়ৰী অচিত্ৰ সোণোৱাল আৰু বীণা দেৱী হাজৰিকাৰ কন্যা দিদৃক্ষা সম্প্ৰতি মুম্বাইৰ থানেৰ এটা কনষ্ট্ৰাকচন কেমিকেল ইণ্ডাষ্ট্ৰীত চিভিল ইঞ্জিনীয়াৰিং হিচাপে কৰ্মৰত। কৰ্মসূত্ৰে মুম্বাই থানেৰ বাসিন্দা দিদৃক্ষাই ইতিমধ্যে ৱৰ্ল্ড ৱাইড বুক অব্ ৰেকৰ্ডছ আৰু গোল্ডেন বুক অব্ ৱৰ্ল্ড ৰেকৰ্ডছত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। এই সফলতাৰ পাছত আজি অসমত আহি উপস্থিত হোৱা দিদৃক্ষাক অসম জাতীয় পৰিষদৰ সম্পাদক চিত্তৰঞ্জন বসুমতাৰীৰ নেতৃত্বত দলৰ নেতা-কৰ্মীসকলে গুৱাহাটী বিমান বন্দৰত আদৰণি জনাই আৰু উষ্ম অভিনন্দন জ্ঞাপন কৰে। তেওঁলোকে অসম কণ্যাগৰাকীক ফুলাম গামোছা, জাপি আৰু ফুলৰ তোৰা আগবঢ়ায় আৰু তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি শ্লোগান দিয়ে। দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞায়ো এক বিবৃতিযোগে দিদৃক্ষাক অভিনন্দন আৰু শুভেচ্ছা জনোৱাৰ লগতে নৃত্যক্ষেত্ৰত দিদৃক্ষাই বহুদূৰ আগুৱাই যোৱাৰ বাবে শুভেচ্ছা জনায়।

# ৰাজ্যৰ ৩৬ গৰাকী শীৰ্ষ

কুমাৰ শইকীয়াক কামৰূপলৈ বদলি কৰা হৈছে। শিৱসাগৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাক যোৰহাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। যোৰহাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰক কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ইফালে ডিমা হাছাও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰক তিনিচুকীয়ালৈ বদলি কৰা হৈছে। বিশ্বনাথৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশিস বৰুৱাক শিৱসাগৰলৈ, অজৱাৰও বসুমতাৰীক বজালী জিলাৰ পৰা বিশ্বনাথ জিলালৈ আৰু মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত থকা জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তীক বজালী জিলালৈ বদলি কৰা হৈছে। আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত কাৰ্যনিৰ্বাহ কৰি থকা এআইজি ৰিপুঞ্জয় কাকতিক ডিমা হাছাও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে বদলি কৰা হৈছে। তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপক ডিব্ৰুগড় জিলালৈ বদলি কৰা হৈছে। আনহাতে ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বীৰ ভেংকাট ৰাকেশ ৰেড্ডীক হোজাই জিলালৈ বদলি কৰা হৈছে। হোজাই জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাক এআইজি হিচাপে আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত সংযুক্ত কৰা হৈছে। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসক নলবাৰী জিলালৈ বদলি কৰা হৈছে। মৰিগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসক দৰং জিলালৈ বদলি কৰা হৈছে। দৰং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱালক মৰিগাঁও জিলালৈ, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন তকবিক মাজুলী জিলালৈ বদলি কৰা হৈছে। ইফালে গুৱাহাটীত থকা নিয়ন্ত্ৰণ শাখাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সিন্‌হা ৰাম মিলিক দক্ষিণ শালমাৰা-মানকাচৰলৈ বদলি কৰা হৈছে। দেৰগাঁওস্থিত একাদশ অসম বেটেলিয়নৰ অধিনায়ক হিচাপে থকা তাবুৰাম পেগুক তামুলপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে বদলি কৰা হৈছে। অঞ্জন পণ্ডিতক কোকৰাঝাৰৰ সপ্তম অসম আৰক্ষী বেটেলিয়নৰ পৰা পশ্চিম কাৰ্বি আংলং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে বদলি কৰা হৈছে। গুৱাহাটীৰ অতিৰিক্ত ডিচিপি হিচাপে কৰ্মৰত শ্যামভাবী মিশ্ৰক গুৱাহাটীৰ ডিচিপি (মধ্য) হিচাপে বদলি কৰা হৈছে। আনহাতে অমিতাভ বসুমতাৰীক গুৱাহাটীৰ ডিচিপি (পশ্চিম) হিচাপে বদলি কৰা হৈছে। নলবাৰী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুপ্ৰিয়া দাসক কোকৰাঝাৰস্থিত অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক হিচাপে, কামৰূপৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাক চিআইডিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে, গুৱাহাটীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক কাটলিচেৰাত থকা অসম আৰক্ষী বেটেলিয়নৰ অধীনায়ক হিচাপে, পশ্চিম কাৰ্বি আংলং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ইন্দ্ৰনীল বৰুৱাক গুৱাহাটীত চিআইডিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে বদলি কৰা হৈছে। চিআইডিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নবীন সিঙক মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগলৈ, তামুলপুৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীক হাইলাকান্দিৰ বীৰসীমাত থকা অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক হিচাপে শদিয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গুৱাহাটীৰ ডিচিপি (সীমান্ত) হিচাপে বদলি কৰা হৈছে। আনহাতে গুৱাহাটীৰ ডিচিপি (সীমান্ত) কৰ্মৰত গৌতম বৰাক শ্ৰীভূমিত থকা অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক ৰূপে বদলি কৰা হৈছে।

# '২৬ৰ নিৰ্বাচনত আমি এক

এখন সুন্দৰ চৰকাৰ হোৱাটো বিচাৰে। তাৰ বাবে ৰাজনৈতিক দিশত নিৰ্বাচনত কোনে ক'ত প্ৰতিদ্বন্দ্বিতা কৰিব তাক যদিও আলোচনা কৰা হোৱা নাই, স্বাভাৱিকভাৱে ২০২৬ৰ নিৰ্বাচনৰ কথাও আমাৰ চিন্তাত আছে। এই বিষয়ত আমি নৱেম্বৰ-ডিচেম্বৰ বা জানুৱাৰী মাহৰ ভিতৰত এক সুন্দৰ প্ৰতিচ্ছবি আমি দিব পাৰিম। এটা কথা নিশ্চিত যে গোটেই দিশটো ইতিবাচক হ'ব, গঠনমূলক হ'ব আৰু ভাল হ'ব। ইয়াত নেতিবাচক একো নাথাকে। ইফালে ইউপিপিএলৰ স্থিতি এনডিএত কি হ'ব সেই বিষয়ে উত্থাপন কৰা প্ৰশ্নত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মন্ত্ৰীসভাত আজিও উৰ্খাও গৌৰা ব্ৰহ্ম মন্ত্ৰী হিচাপে আছে। ইউপিপিএলৰ লগত ২০২১ চনত আমি যি মিত্ৰতা কৰিছিলোঁ, '২৬ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকভাৱে অগপ, ইউপিপিএল, বিপিএফৰ লগতো নতুনকৈ কথা পাতিব লাগিব। অৰ্থাৎ '২৬ৰ নিৰ্বাচনৰ ৰণকৌশল এতিয়ালৈকে আমি প্ৰস্তুত কৰা নাই। কিন্তু নৱেম্বৰ-ডিচেম্বৰ মাহৰ ভিতৰত আমি কথা পাতিবই লাগিব। আমি এটা এটাকৈ সৰু সৰু পদক্ষেপেৰে আগবাঢ়িছোঁ। আনহাতে বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ সম্পৰ্ক দীঘলীয়া বুলি উল্লেখ কৰি তেওঁ কয়- হাগ্ৰামা মহিলাৰীৰ সৈতে মোৰ সম্পৰ্ক বহুদিনীয়া। ২০২১ চনত কিবা এটা কথাৰ কাৰণে এই সম্পৰ্কত ব্যৱধান আহিছিল। কিন্তু ২০২১ চনৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ ভিতৰত আমি আকৌ লগ হ'লোঁ, কথা পাতিলোঁ, তেওঁলোকে আমাক সমৰ্থন কৰিলে আৰু যোৱা চাৰে চাৰিটা বছৰ চৰকাৰ চলোৱাত বিপিএফে ফ্ল'ৰ কো-অৰ্ডিনেচনৰ জৰিয়তে আমাক সদায় সহায় কৰি আহিছে। ৰাজ্যসভাৰ নিৰ্বাচনসমূহতো সদায় আমাকেই ভোট দিয়ে। ময়ো হাগ্ৰামা মহিলাৰীৰ সৈতে ব্যক্তিগত সম্পৰ্ক বজাই ৰাখিছিলোঁ। তাৰ প্ৰতিফলন আজি সকলোৱে দেখিছে। আজিৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত স্বাভাৱিকতে নতুন দিল্লীৰ নেতৃত্বৰো পূৰ্ণ সমৰ্থন আছে। গতিকে আমি সকলোৱে মিলিজুলি সমাজৰ উন্নয়নৰ বাবে কাম কৰি যাম।

# প্ৰাৰম্ভিক তদন্তত জুবিন গাৰ্গৰ মৃত্যুত সন্দেহজনক অস্বাভাৱিক দিশ নাইঃ ছিংগাপুৰ আৰক্ষী



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যক লৈ ৰাজ্যজুৰি পৰিৱেশ উত্তাল হৈ থকাৰ সময়তে ছিংগাপুৰ আৰক্ষীয়ে তদন্ত সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰিছে। ছিংগাপুৰ আৰক্ষীৰ মতে, প্ৰাৰম্ভিক তদন্তত শিল্পীগৰাকীৰ মৃত্যুত সন্দেহজনক অস্বাভাৱিক দিশ পোৱা নাই। ছিংগাপুৰৰ কোৰোনাৰছ আইন ২০১০ৰ অধীনত এছপিএফ অৰ্থাৎ ছিংগাপুৰ পুলিচ ফ'ৰ্চে এই তদন্ত অব্যাহত ৰাখিছে। ছিংগাপুৰ আৰক্ষীয়ে চলাই থকা এই তদন্ত সম্পূৰ্ণ হ'বলৈ ৩ মাহৰ *(দহ পৃষ্ঠাত চাওক)*

# জুবিনৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা বিবৃতিক লৈ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত তদন্ত চলোৱা ছিংগাপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা বিবৃতিটোক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-ৰাজ্যৰ মুখ্য সচিবে ছিংগাপুৰ আৰক্ষীৰ বিবৃতি মোলৈ প্ৰেৰণ কৰিছে। এই বিবৃতি সন্দৰ্ভত মই বিশেষ ক'ব বিচৰা নাই। অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষী আৰু অসম আৰক্ষীৰ বৈঠক অনুষ্ঠিত হ'ব। অসম আৰক্ষীয়ে এই বৈঠকৰ পৰা ঘূৰি অহাৰ পিছত আমি অলপ বেছি স্পষ্টতা *(দহ পৃষ্ঠাত চাওক)*

# ৰাজ্যিক কেবিনেটত কৰ্মচাৰীৰ মৰগীয়া বানচ ৫৮ শতাংশলৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যিক কেবিনেট বৈঠকত সত্ৰ আয়োগ গঠনৰ উদ্দেশ্যে দ্য আছাম সত্ৰ প্ৰিভেনচন এণ্ড ডেভেলপমেন্ট কমিছন বিল-২০২৫ শীৰ্ষক এক বিধেয়কত অনুমোদন জনায়। উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰস্তাৱিত এই সত্ৰ আয়োগৰ অধ্যক্ষ হ'ব। কেবিনেট সিদ্ধান্তৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৰাজ্য চৰকাৰে আগন্তুক বিধানসভা অধিৱেশনত সত্ৰ আয়োগ গঠনৰ বাবে এই বিধেয়কখন উত্থাপন কৰিব। এই সত্ৰ আয়োগৰ এজন অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া থাকিব যাৰ পদমৰ্যাদা হ'ব সচিব পৰ্যায়ৰ। তেওঁৰ ৰাজহ আইন সন্দৰ্ভত সবিশেষ জ্ঞান থাকিব লাগিব। তদুপৰি এই আয়োগত দুগৰাকী সত্ৰাধিকাৰকো ৰাজ্য চৰকাৰে মনোনীত কৰিব। সত্ৰ আয়োগ গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে এই আইনখনৰ মুখ্য দায়িত্বৰ ভিতৰত থাকিব- জিলা আয়ুক্তই সত্ৰৰ ভূমিৰ ওপৰত দিয়া যিকোনো ৰায়ক এই আয়োগৰ ওচৰত আবেদন কৰিব পাৰিব। দ্বিতীয়তে, সত্ৰ আয়োগখনে ভূমি সম্পৰ্কীয় কোনো বিষয়ত যদি জিলা আয়ুক্তই ব্যৱস্থা গ্ৰহণ নকৰে, *(নপৃষ্ঠাত চাওক)*

# কাকপথাৰৰ ভাৰতীয় সেনাৰ শিবিৰত আলফাৰ ভয়ংকৰ আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিচুকীয়া জিলাৰ কাকপথাৰস্থিত ভাৰতীয় সেনাৰ ১৯ গ্ৰেণেডিয়াৰ শিবিৰত ১৭ অক্টোবৰৰ মাজনিশা আলফা স্বাধীনে ভয়ংকৰ আক্ৰমণ কৰে। আলফা স্বাধীনৰ সদস্যই ভাৰতীয় সেনা ছাউনীত আক্ৰমণ কৰাৰ ঘটনাই সমগ্ৰ ৰাজ্যতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ১৭ অক্টোবৰৰ নিশা কাকপথাৰস্থিত সেনা ছাউনীত আলফা স্বাধীনৰ এটা গোটে আক্ৰমণ কৰি তিনিজনকৈ সেনা জোৱানক আহত কৰাৰ কথা জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ অনুসৰি, ১৭ অক্টোবৰৰ নিশা প্ৰায় ১২.৪০ বজাত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰূপাই দিশৰ পৰা এখন ট্ৰাকত অহা আলফা স্বাধীনৰ এটা দলে কাকপথাৰস্থিত ভাৰতীয় সেনাৰ *(দহ পৃষ্ঠাত চাওক)*

# শেখৰ-অমৃতপ্ৰভাক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ অমৃতপ্ৰভা মহন্ত আৰু শেখৰজ্যোতি গোস্বামীক। ১৪ দিনীয়া আৰক্ষী জিম্মাৰ অন্তত শুকুৰবাৰে পুৱা প্ৰায় ৯ বজাত কটকটীয়া নিৰাপত্তাৰ মাজেৰে দুয়োজনক চিআইডিয়ে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰে। আদালতে দুয়োজনক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আদালতৰ নিৰ্দেশৰ পাছতেই দুই অভিযুক্তক ডিমা হাছাও জিলাৰ হাফলঙৰ উপ-কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে যোৱা ১৫ অক্টোবৰত প্ৰিয় শিল্পীৰ ৰহস্যজনক হত্যাৰ অন্যতম অভিযুক্তদ্বয় ক্ৰমে শ্যামকানু মহন্ত *(দহ পৃষ্ঠাত চাওক)*

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ডিব্ৰুগড়ৰ ছেইণ্ট মেৰীজ স্কুলৰ ছাত্ৰী উজ্জ্বয়িতা মেচে



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ বিমনজয় মেচ আৰু মৌসুমী মেচৰ কন্যা, ডিব্ৰুগড়ৰ ছেইণ্ট মেৰীজ স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী কুমাৰী উজ্জ্বয়িতা মেচে অসমৰ প্ৰতিনিধিত্ব কৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰচনা লিখন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি ২০,০০০ টকাৰ নগদ পুৰস্কাৰ লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। ভাৰত নিৰ্বাচন আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় মঞ্চত আয়োজিত এই প্ৰতিযোগিতাত সমগ্ৰ ভাৰতৰ হাজাৰ হাজাৰ প্ৰতিভাৱান শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। উজ্জ্বয়িতাৰ ৰচনাখন স্পষ্টতা, চিন্তাৰ গভীৰতা আৰু মৌলিকতাৰ বাবে বিশেষভাৱে উল্লেখযোগ্য আছিল, যাৰ ফলত তেওঁ নিজৰ শ্ৰেণীত শীৰ্ষ সন্মান লাভ কৰে। বিদ্যালয়ৰ শৈক্ষিক উৎকৰ্ষতা তেওঁৰ এই উল্লেখ যোগ্য সাফল্যই ডিব্ৰুগড়ৰ ছেইণ্ট মেৰীজ স্কুলৰ শৈক্ষিক উৎকৰ্ষতা আৰু দিকনিৰ্দেশনাক উজ্জ্বল কৰি তুলিছে। বিদ্যালয়খনে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত সফলতা লাভ কৰিবলৈ উজ্জ্বল যুৱ প্ৰতিভাৰ লালন-পালন অব্যাহত ৰাখিছে। ছেইণ্ট মেৰীজ স্কুলৰ অধ্যক্ষাই উজ্জ্বয়িতাৰ অসাধাৰণ সাফল্যৰ বাবে অভিনন্দন জনাই তেওঁক "অসমৰ প্ৰতিজন শিক্ষাৰ্থীৰ বাবে প্ৰেৰণাৰ উৎস" বুলি আখ্যা দিয়ে। উজ্জ্বয়িতাই তেওঁৰ সফলতাত নিজৰ শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ আৰু বিদ্যালয়ক উৎসৰ্গা কৰে, যিসকলে তেওঁক নিৰন্তৰ সমৰ্থন আৰু উৎসাহ প্ৰদান কৰিছে। তেওঁৰ এই সাফল্যই বিদ্যালয় সমাজ, অভিভাৱক আৰু সমগ্ৰ অসমৰ শুভাকাংক্ষীসকলৰ পৰা ব্যাপক প্ৰশংসা লাভ কৰিছে। উজ্জ্বয়িতা মেচ এতিয়া ৰাজ্যখনৰ যুৱ শৈক্ষিক প্ৰতিভাৰ এক গৌৰৱান্বিত প্ৰতিনিধি হিচাপে পৰিগণিত হৈছে।

# শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজৰ সাধাৰণ পৰিষদৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজৰ নৱগঠিত সাধাৰণ পৰিষদৰ প্ৰথমখন বৈঠক যোৱা ১৫ অক্টোবৰ, ২০২৫ তাৰিখে বিয়লি কলাক্ষেত্ৰৰ ললিত কলা ভৱনৰ সভাকক্ষত অনুষ্ঠিত হয়। অসমৰ মাননীয় মুখ্যমন্ত্ৰী তথা কলাক্ষেত্ৰ সমাজৰ সভাপতি ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ক প্ৰতিনিধিত্ব কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী বিমল বড়া ডাঙৰীয়াই বৈঠকত সভাপতিত্ব কৰে। বৈঠকত শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ বিভিন্ন কাম-কাজৰ বিষয়ে বিষদভাৱে পৰ্যালোচনা কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে, অসমৰ বিভিন্ন প্ৰান্তৰ কলা-সংস্কৃতি আৰু বিদ্যায়তনিক ক্ষেত্ৰৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ অন্তৰ্ভুক্তিৰে ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ২০ অক্টোবৰত ছিংগাপুৰলৈ যাব এছআইটি



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যাব বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষীৰ এটা দল। ছিংগাপুৰৰ আৰক্ষীৰ সৈতে জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ সকলো দিশ আলোচনা কৰিব অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে। উল্লেখ্য যে ছিংগাপুৰলৈ তদন্তৰ বাবে যাবলৈ চুবুৰীয়া ৰাষ্ট্ৰখনক অনুৰোধ জনাইছিল অসম আৰক্ষীয়ে। মেইলযোগে কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে ছিংগাপুৰ চৰকাৰলৈ প্ৰেৰণ কৰা এই অনুৰোধ অনুসৰিয়েই ৰাষ্ট্ৰখনলৈ তদন্তৰ বাবে যোৱাৰ অনুমতি লাভ কৰিলে এছআইটিয়ে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা জনাইছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই লিখিছে- আমাৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ দিশে আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হৈছোঁ। অহা ৩১ অক্টোবৰত ছিংগাপুৰ আৰক্ষী কৰ্তৃপক্ষই অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান আৰু বিশেষ তদন্তকাৰী গোট শচএছআইটিগ্নৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষীৰ দলৰ সৈতে সাক্ষাতত মিলিত হ'ব। উল্লেখ্য যে অহা ২১ অক্টোবৰত ছিংগাপুৰত এছআইটিৰ সৈতে ছিংগাপুৰ আৰক্ষীৰ বৈঠকত বহিব। মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত ২০ অক্টোবৰত আৰক্ষীৰ এটা দল ছিংগাপুৰলৈ উৰা মাৰিব। মন কৰিবলগীয়া যে ছিংগাপুৰত তদন্ত কৰাৰ বাবে অসম আৰক্ষীয়ে প্ৰেৰণ কৰা অনুৰোধ-পত্ৰৰ প্ৰতি সঁহাৰি জনাই শেহতীয়াকৈ ছিংগাপুৰ (দহ পৃষ্ঠাত চাওক)

# শ্যামকানু-সিদ্ধাৰ্থসহ পাঁচজনক ১৪ দিনৰ ন্যায়িক জিম্মালৈ



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত এছআইটিয়ে গ্ৰেপ্তাৰ কৰা ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল আয়োজনৰ মূল উদ্যোক্তা শ্যামকানু মহন্তৰ লগতে শিল্পীগৰাকীৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গ আৰু দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। বুধবাৰে পুৱাৰ ভাগত এছআইটিয়ে অভিযুক্তসকলক হাজিৰ কৰোৱাৰ পিছত আদালতে আটাইকেইজনকে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। এছআইটিয়ে অভিযুক্তকেইজনক কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে উলুবাৰীৰ চিআইডিৰ কাৰ্যালয়ৰ পৰা পাণবজাৰস্থিত কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ কক্ষলৈ কয়দী কঢ়িওৱা ( নপৃষ্ঠাত চাওক)

# ফাষ্টট্ৰেক আদালতত হ'ব জুবিনৰ মৃত্যুৰ বিচাৰঃমুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ফাষ্টট্ৰেক আদালত গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰস্তাৱ দিব। লোকসেৱা ভৱনত এক সংবাদ মেল সম্বোধন কৰি ৰাজ্যিক কেবিনেটৰ এই সিদ্ধান্তৰ কথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছআইটিয়ে জানিবলৈ দিছে যে নৱেম্বৰ মাহৰ শেষভাগত অথবা ডিচেম্বৰৰ প্ৰথম ভাগত যিকোনো মুহূৰ্ততে তেওঁলোকে চাৰ্জশ্বীট দাখিল কৰিব পাৰিব। অৰ্থাৎ ( নপৃষ্ঠাত চাওক)

# বাক্সাৰ হিংসাত্মক ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ধৃত গুজনক ন্যায়িক জিম্মাত ৰখাৰ বাবে বাক্সা জিলা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত হিংসাত্মক ঘটনা সন্দৰ্ভত তেওঁ কয় যে ২০২৬ চনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত নোহোৱালৈকে অসমক অশান্ত কৰি ৰখাৰ এক ভয়ংকৰ চক্ৰান্ত ৰচনা কৰি থকা হৈছে। একমাত্ৰ নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈয়ে বিৰোধীয়ে অসমক অগ্নিগৰ্ভ কৰি তুলিব বিচাৰিছে। এপ্ৰিলত ভোটগ্ৰহণ পৰ্ব শেষ হৈ যোৱা মাত্ৰেই চাব- এইসকল লোকে প্ৰয়াত জুবিন গাৰ্গক পাহৰি যাব। জুবিন গাৰ্গৰ মৃত্যুৰ দিনাৰে পৰাই অসমক অশান্ত কৰাৰ বাবে একাংশ লোকে উঠি পৰি লাগিছে। সামাজিক মাধ্যমতেই হওক বা নিজৰ কথা-বতৰাৰ জৰিয়তেই হওক, একাংশ ৰাজনীতিকে মানুহক উত্তেজিত তথা প্ৰৰোচিত কৰাৰ বাবে অহৰহ চলাই আছে ষড়যন্ত্ৰ। কেৱল ( নপৃষ্ঠাত চাওক)

# নতুন দিল্লীত ভাৰতস্থিত ছিংগাপুৰৰ উচ্চায়ুক্তৰে মুখ্যমন্ত্ৰীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ আৰু ভাৰতস্থিত ছিংগাপুৰৰ ভাৰপ্ৰাপ্ত উচ্চায়ুক্ত এলিচ চেঙৰ সৈতে পৃথকে পৃথকে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই সময়ছোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তত ছিংগাপুৰ আৰক্ষীয়ে যাতে অসম আৰক্ষীক সহায় কৰে, তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী জয়শংকৰক আহ্বান জনায়। সেইদৰে অসম হাউছত অনুষ্ঠিত ছিংগাপুৰৰ ভাৰতস্থিত ভাৰপ্ৰাপ্ত উচ্চায়ুক্ত চেঙৰে হোৱা বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আলোচনা কৰে। ছিংগাপুৰলৈ গৈ অসম আৰক্ষীৰ দল এটাই যাতে তদন্ত সম্পাদন ( নপৃষ্ঠাত চাওক)

# কাতি বিহু বুলি এটা পৰম্পৰা মাত্ৰহে আছে

শৈলেন কুমাৰ, মিৰ্জা



কাতি বিহু অসমীয়াৰ জাতীয় উৎসৱৰ অন্যতম উৎসৱ। মুলতঃ কাতি বিহু অসমৰ কৃষিকৰ্মৰ লগত জড়িত এটি উৎসৱ। কাতি মাহত খেতিয়কৰ ভড়ালত আকালে দেখা দিয়ে তাৰবাবে কাতি বিহুক কঙালী বিহু বুলিও কোৱা হয়। কাতি বিহুত পথাৰত কৃষক ৰাইজে আকাশবন্তি, চাকি জ্বলাই অপায় অমঙ্গল দূৰ হবলৈ প্ৰাৰ্থনা কৰে। অসমীয়াৰ চতালত কলগছৰ পুলিৰ লগতে তুলসী ৰোপণ কৰি লোকগীত গায় "তুলসীৰ তলে তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে" কাতি বিহুৰ লগত সংগতি ৰাখি যেতিয়া ৰামচন্দ্ৰক স্মৰণ কৰা যায় তেতিয়া এই বিহুৰ লগত আধ্যাত্মিক দিশ এটাও যে জড়িত হৈ আছে তাৰে উমান পোৱা যায়। ৰামচন্দ্ৰ যেতিয়া চৈধ্য বছৰ বনবাসত আছিল তেতিয়া ৰাৱণে ৰামৰ অৰ্ধাংগিনী সীতাদেৱীক হৰণ কৰিবলৈ মোমায়েক মাৰিছ ৰাক্ষসক মৃগ পহুৰ ৰূপ ধৰিব কৈছিল সীতাদেৱীক আকৰ্ষিত কৰিবলৈ। আনহাতে সোণৰ মৃগ পহু দেখি সীতাদেৱী আকৰ্ষিত হোৱাত সোণৰ মৃগ পহু ৰামচন্দ্ৰক আনি দিবলৈ বাধ্য কৰাইছিল। ৰামচন্দ্ৰই সীতাদেৱীৰ আদেশ অবজ্ঞা নকৰি সোণৰ মৃগ পহু ধৰিবলৈ হাতত হৰধনু ধৰিছিল। তাৰ পাছত সীতাদেৱীৰ উচ্চাকাংক্ষাৰ পৰিণতি কি হৈছিল সকলোৰে জ্ঞাত। ঠিক তেনেদৰে আজিৰ সময়ত যদি আমি বিশ্লেষণ কৰি চাওঁ আমিও জানো সোণৰ মৃগ পহুৰ পাছত ঘুৰি ফুৰি থকা অনুভৱ হোৱা নাই নে? অতি উচ্চাকাংক্ষাৰ কৱলত পৰি আমি সৰ্বস্ব হেৰুওৱাৰ উপক্ৰম হোৱা নাই নে? উচ্চাকাংক্ষাবোৰ হ'ল আমাৰ লোভ, অহংকাৰ, হিংসা, ঈৰ্ষা, স্বাৰ্থলোভী মনোবৃত্তি, শ্ৰেষ্ঠতাৰ দৌৰত আমি বিকলাংগ। বৰ্তমান সময়ত কাতি বিহু বুলি এটা পৰম্পৰা মাত্ৰহে আছে কিন্তু পথাৰ আৰু চোতাল ক'ত আছে? পথাৰবোৰে এতিয়া উদ্যোগ কলকাৰখানাত ৰূপান্তৰিত হৈছে। উচ্চাকাংক্ষাৰ দৌৰত আজি আমি সৰ্বস্ব হেৰুওৱাৰ পথত। আজিৰ অসমীয়াই সহজ পথেৰে ধন অৰ্জন কৰিব বিচাৰে, খেতিপথাৰত কষ্ট কৰি খেতি কৰাটো সপোনৰ অগোচৰ। পথাৰ আৰু চোতাল নহোৱা আজিৰ অসমীয়াই অসমৰ জাতীয় উৎসৱ কাতি বিহুটোক পৰম্পৰা ৰক্ষাৰ বাবেহে পালন কৰে। অৱশেষে অসমৰ কিছুকিছু ভিতৰুৱা গ্ৰাম্য জনজীৱনত আজিও কাতি বিহুৰ স্বকীয়তাৰ পূৰ্ণ আভাস পোৱা যায় যদিও মূলসুঁতিৰ পৰা আমি ফালৰি কটা যেন অনুভৱ হয়।

# যৌৱন

প্ৰভাত বণিয়া




মনৰ মণিকোঠা
সুগন্ধত আমোলমোল
ৰূপে ৰহণ চৰায়
তিৰ্বিৰাই, জিলমিলাই
জীৱন জাতিস্কাৰ
শোণিত সাগৰ পাৰহে
বুটলি আনিম
বুকুৰ পোৱাল মণি।

অণুগল্প

# যন্ত্ৰণা

যমুনা দুলু বৈশ্য, শুৱালকুছি



ধৰ্ম আৰু কৰ্মৰ ওপৰত বিশ্বাস ৰাখি মৃদুলাই যুঁজ দিছে, পুত্ৰৰ মুখলৈ চাই..। প্ৰকৃতিৰ মাজতে চঞ্চলা ওঁঠযুৰিত মৌন হৈ ৰয় নীৰৱে কেতিয়াবা ... ডাক্তৰৰ কথা শুনি আঁচলেৰে চকুদুটা মচি ক'লে, সি আমাৰ একমাত্ৰ ল'ৰা ।

# গছৰ লগত কথা পাতিব জনা মহানায়কজন

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

অসমৰ জনগণক মোহাচন্ন কৰি ৰখা মৰমৰ শিল্পী গৰাকীৰ অকাল বিয়োগত প্ৰতি গৰাকী অসমীয়াৰ মনত দুখৰ বন্যা। এতিয়া অসমৰ আকাশে-বতাহে শোক! জুবিনক হেৰুৱাৰ দুখ। যেন প্ৰতিটো পৰিয়ালে এজনকৈ সদস্যক হেৰুৱাইছে! ইমান আপোন! ইমান ভালপোৱা! কেনেকৈ? মানুহক ভাল পোৱা, মানুহৰ মাজত থাকি ভাল পোৱা, অসমখনক ভাল পোৱাৰ জুবিন গাৰ্গৰ এয়া এক অনন্য একক ব্যক্তিত্ব। নিজকে শিল্পী বুলি কৈ ফুৰা, মঞ্চত গীতেৰে মন মুহি নিয়া বহু গায়ক আছে। বহু এনে শিল্পীৰ মৃত্যুও হৈছে! এতিয়াৰ দৰে নাই, এনে পৰিৱেশ দেখা নাই!

"মোৰ কোনো জাতি নাই, কোনো ধৰ্ম নাই" এয়া কেৱল জুবিনৰ মুখৰ কথা নাছিল। তেওঁ কাৰ্যৰে দেখুৱাই গৈছে। সেয়ে ১৯ চেপ্তেম্বৰ ২০২৫ তাৰিখে সুদূৰৰ পৰা অহা অবাঞ্চিত দুখৰ খবৰ টোৱে অসমত স্বতঃস্ফুত ভাৱে জাতি, ধৰ্ম, বৰ্ণ বিহীন পৰিৱেশ সৃষ্টি কৰিলে।

বুকুত সাহস, চকুত সপোন লৈ আকাশ চুব খোজা জুবিনে সঁচাকৈয়ে আকাশ চুই গৈছে। তথাপিও শেষ নাই। অযুত সপোন আছিল তেওঁৰ চকুত। প্ৰতিটো সাক্ষাৎকাৰত কৈছিল আৰু বহু কাম কৰিবলৈ আছে! সেই সপোন পুৰ নহ'ল। নতুন প্ৰজন্মলৈ তেওঁ সেই সপোন আৰু সাহস সিঁচি থৈ গৈছে। এবাৰ এটা লেখাত তেওঁ নতুন প্ৰজন্মক উদ্দেশ্যি কৈছিল "মোক যি সকলে ভাল পায়, তেওঁলোকে মানুহক সহায় কৰক। গছ পুলি ৰোৱক। কিতাপ পঢ়ক। অসমীয়া চিনেমাৰ কাৰণে কাম কৰক। অসমৰ কাৰণে কাম কৰক। তাতকৈয়ো ডাঙৰ কথা - নিজক নিজৰ দৰে গঢ়ক।... মোৰ পৰা কিবা ল'ব বিচাৰিলে 'মই যিটো কৰিম বুলি ভাবিছোঁ, কৰিছোঁ', এই আত্মবিশ্বাসটো ল'বা। তোমালোক সকলো নিজৰ ধৰণে নিজৰ ওপৰত বিশ্বাস ৰাখি ডাঙৰ মানুহ হোৱা। মই লগত থাকিম"। এইজনেই আমাৰ জুবিনদা!

জুবিন গাৰ্গ প্ৰকৃতি আৰু গছ-গছনি ভালপোৱা এজন শিল্পী আছিল। হয়, জুবিন গাৰ্গে গছ ভাল পাইছিল। বিশেষকৈ তেওঁ নাহৰ গছৰ প্ৰতি এক বিশেষ মৰম আছিল। তেওঁ নাহৰৰ ফুল আৰু পাতৰ সৈতে জড়িত 'ব'হাগ অহাৰ বাতৰি' শীৰ্ষক এক গীতো ৰচনা কৰিছিল। তেওঁৰ এই গছৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবে, তেওঁৰ মৃত্যুৰ পিছত বহুজনে তেওঁৰ নামত নাহৰ গছ ৰোপণ কৰিছিল। তেওঁ অনুৰাগীক উদ্দেশ্যি কৈছিল " ঘৰত নাহৰ এজোপা যেতিয়া থাকিব তেতিয়া ঘৰত মই থকা নিচিনা লাগিব। য'ত নাহৰ থাকে তাত জুবিন গাৰ্গ থাকে"। জুবিন গাৰ্গে গছৰ লগত সুখ - দুখৰ কথা পাতিছিল। সকলোকে কৈছিল "গছ নাথাকিলে আমিও নাথাকিম"। গছ ৰোপণত যিমান গুৰুত্ব দিছিল তাতোকৈ অধিক বাধা দিছিল গছ কটা কাৰ্যক। চৰকাৰে উৰণ সেতু নিৰ্মাণৰ বাবে গুৱাহাটীৰ দীঘলী পুখুৰীৰ পাৰৰ গছখিনি কটাৰ



সিদ্ধান্ত লৈছিল। বহু দল সংগঠন, বিশিষ্ট ব্যক্তিয়ে এই কাৰ্যৰ প্ৰতিবাদ কৰিছিল। জুবিন গাৰ্গে বিশেষভাৱে দীঘলী পুখুৰীৰ পাৰৰ গছ কটাৰ বিৰোধিতা কৰিছিল। তেওঁ কৈছিল "চৰকাৰে এই কাম কৰিব নোৱাৰে। মই প্ৰতিবাদ নকৰোঁ, কথা কওঁ। উৰণ সেতুৰ বাবে গছ কটাৰ বিকল্প ব্যৱস্থা আছে। চৰকাৰে বিকল্প ব্যৱস্থা গ্ৰহণ কৰক।" তেওঁ আৰু কৈছিল "বহু বছৰ পুৰণি দীঘলী পুখুৰীৰ গছ কাটি নতুন কৈ গছ ৰোপণ কৰিলে দীঘলী পুখুৰীৰ আগৰ সৌন্দৰ্য ঘুৰাই আনিব পাৰিবনে?"

জুবিন গাৰ্গে আদৰ্শ দেখুৱাই গ'ল মাটিত ভৰি থৈ আকাশত উৰিবলৈ। অতীতৰ হাতত ধৰি নতুনলৈ গতি কৰিবলৈ! বহুমুখী প্ৰতিভাসম্পন্ন জুবিন গাৰ্গৰ আদৰ্শক জীয়াই ৰাখিবলৈ আমি প্ৰত্যেকেই নিস্বাৰ্থভাৱে ভাল পাব লাগিব প্ৰকৃতিক, মাতৃভূমিক, মানুহ আৰু ইতৰ প্ৰাণীক।

# জুবিনবিহীন শৰতৰ সেমেকা নিশা



**কল্যাণী গগৈ(মুনু),চিলাপথাৰ, ধেমাজি**

আজিৰ ফৰকাল আকাশখন হঠাতে
কলা মেঘে আৱৰি ধৰিছে
আকস্মিকভাৱে অহা প্ৰছন্দ ধুমুহাই
গছৰ ডাল লঠঙা কৰি পেলাইছে
টোপাটোপে সৰিছে বিষাদগ্ৰস্ত বৰষুণ
আকাশেও যেন পাহৰিব পৰা নাই
সেই অভিশপ্ত দিনটো
কেনেকৈনো পাহৰিব সেই দিনটো
এটা জাতিৰ সত্বা, বুকুৰ আমঠুটো
অকস্মাতে হেৰাই যোৱাটো
কেনেকৈনো মানি ল'ব
আজি যেন চাৰিওফালে
নিমাও-মাও পৰিৱেশ
জোনাকী জনীয়েও আজি
তিৰবিৰাই থকা নাই
চোতালৰ শেৱালী জোপাইও
সুগন্ধি বিলাবলৈ পাহৰিয়ে গ'ল
প্ৰকৃতি, জীৱ-জন্তু, চৰাই-চিৰিকটি, মানুহ
কোনেও যেন সহজ হ'ব পৰা নাই
কোনেও পাহৰিব পৰা নাই সেই দিনটো
যিদিনা কেইটামান পানীৰ তলৰ কাঁইটৰ খোচত
অসমীয়াই হেৰুৱাইছিল জাতিৰ প্ৰাণ
অচিন সাগৰৰ বুকুত
চিৰদিনলৈ শুই পৰিছিল
অসমীয়া জাতিৰ স্বাভিমান।

# দীপাৱলী পোহৰৰ উৎসৱ

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**



“ধৰ্মক ৰাখিবা অধৰ্ম নাশি”।

ভাৰতবৰ্ষ এখন বৈচিত্ৰপূৰ্ণ দেশ। বিভিন্ন ভাষা, বিভিন্ন ৰীতি- নীতি কিন্তু একতাৰ দোলেৰে সমাজখন ধৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে এই উৎসৱ সমূহে।

প্ৰতিটো উৎসৱৰে এক সুকীয়া বৈশিষ্ট আছে। ধৰ্মীয়গ্ৰন্থ আদিতো উল্লেখ আছে সমাজ খনত সুস্থ বাতাবৰণ ভাতৃত্ব বোধৰ চানেকী আৰু অশুভ শক্তি নাশ কৰা।

দীপাৱলী অৰ্থ পোহৰ মানে আলোক এক অস্তিত্বৰ সমাহাৰ। কিছুমান ঠাইত দেৱালী বুলিও কয়। আন্ধাৰ নাশ কৰি ধৰাত পোহৰেৰে আলোকিত কৰা অৰ্থাৎ দুষ্টক দমন কৰি শান্তি স্থাপনৰ এক শীতল সংগ্ৰাম। ৰামচন্দ্ৰই ৰাৱণক বধ কৰি তেখেতৰ সহ -ধৰ্মিনী দেৱী সীতাক ৰাৱণৰ পৰি মুক্ত কৰি তেওঁলোকৰ অযোধ্যাৰ আগমনৰ কাহিনীয়েই হওঁক বা শ্ৰী কৃষ্ণই কংসক বধ কৰা মথুৰা বৃন্দাবনত কংসৰ অত্যাচাৰৰ পৰা মুক্ত কৰা ইত্যাদিৰ মূল হ'ল অশুভ শক্তিৰ ওপৰত শান্তিৰ বিজয়ৰ হৰ্ষোল্লাস। সেই কাৰণে এই উৎসৱ ভাৰত বৰ্ষৰ বাহিৰেও বিভিন্ন দেশতো পালন কৰা দেখা যায়।


দীপাৱলী বা দেৱালী উৎসৱত কিছুমান ঠাইত লক্ষ্মী পূজা আৰু কিছুমান ঠাইত কালি পূজাও হয়। পোহৰৰ এই আলোকৰ লগত আমাৰ আৰাধ্য দেৱ-দেৱীৰ লগতে ঘৰৰ গৃহিনী জনীকো লখীমিৰ এক স্থান আছে। উৎসৱ আদিত পৰিয়ালৰ লোক সকল, ওচৰ চুবুৰীয়াৰ সৈতে উপহাৰ আৰু মিঠাইৰ আদান -প্ৰদানৰ জৰিয়তে ৰক্ষা হয় একতাৰ বান্ধোন। সময়ৰ লগে লগে কিছুমান তিথি পৰ্ব সংযোগ হৈছে। দীপাৱলীৰ দুদিন আগতে ধনতেৰাছ পালন কৰে। সেই দিনা সোণ -ৰূপ, ঝাডু, ধনীয়া আদি কিনিলে ঘৰলৈ লক্ষ্মী দেৱীৰ আগমন হয় বুলি কোৱা শুনিছোঁ।

শব্দৰ প্ৰদূষণ হয় আতচবাজী প্ৰদৰ্শনৰ পৰা বিৰত থাকিব লাগে। শব্দৰ প্ৰদূষণ পৰা হৃদয় ৰোগী আৰু নৱজাতক শিশুসকলে ভয় খাব পাৰে ইয়াৰ লগতে বায়ু প্ৰদূষণ যথেষ্ট হয়। মাটিৰ চাকি, ৰঙ বিৰঙৰ লাইট ফুলজাৰি ইত্যাদিৰে শান্তিপূৰ্ণ ভাৱে পৰিয়ালৰ সৈতে দীপাৱলী পালন কৰিব পাৰি।

আমাৰ গাঁওতো বৰ্তমান এই উৎসৱত আটচ -বাজিৰ সলনি ৰং -বিৰঙৰ চাকি, ৰংগুলীৰ ওপৰত প্ৰাধান্য দিয়ে। কাতি মাহৰ এই অমাৰশ্যাৰ অমানিশাক নাশ কৰি আলোকৰ এক সুন্দৰ বাতাবৰণৰ সৃষ্টিৰ অৰ্থই হ'ল দীপাৱলী। দীপাৱলীত ৰঙ বিৰঙৰ চাকি জ্বলাই লক্ষ্মী দেৱীক আৰধনা কৰিলে মন প্ৰশান্তিৰে ভৰি পৰে কিন্তু আটচ বাজিয়ে পৰিবেশ বিনষ্ট কৰাৰ লগতে সেই আটচ বাজি কাৰোবাৰ ঘৰত পৰি জুই আদিও লাগিব পাৰে। উদাহৰণ বহুত দেখিছো তেনে ঘটনা। গতিকে সকলোৰে সুৰক্ষিত হৈ পৰিয়ালৰ সৈতে দীপাৱলী পালন কৰক। দীপাৱলীয়ে সকলো লৈকে কঢ়িয়াই আনক সুখ সমৃদ্ধ তাৰে কামনা কৰিলো।

# অমাবস্যাৰ আকাশত পূৰ্ণিমাৰ জোন

**মুন শৰ্মা, লখিমপুৰ**



ঃ হাই..... মই মধুস্মিতা চলিহা।

ঃ হেল্ল...... হয় চিনি পাইছোঁ কোৱা।

ঃ ভাল নে আপোনাৰ!

ঃ হয় ভাল, তোমাৰ ভাল নে !

ঃ হয় ভাল, আজি আপুনি কৰা সহায় বাবে কাকতত মোৰ লেখা এটা প্ৰকাশ হৈছে, বহুত বহুত ধন্যবাদ।

ঃ অ' হয় নেকি! খুব ভাল কথা, ভাল লাগিল তোমাৰ লেখা প্ৰকাশ হৈছে বুলি জানি। লিখি থাকিবা, এনেকৈ সদায় ।

নিৰঞ্জন দত্ত আৰু মধুস্মিতা চলিহাৰ মাজৰ চিনাকি এদিন এনেকৈয়ে হৈছিল। দুই জনে আছিল কবিতাৰ পাগল, সাহিত্য প্ৰতি ৰাপ থকা ব্যক্তি, ফলত বন্ধুত্ব মধুৰ হ'বলৈ বেছি দিন লগা নাছিল, লাহে লাহে আত্মীয়তা বাঢ়িছিল। সম্পৰ্ক হৈ পৰিছিল আন্তৰিকতাৰ উচচ শিখৰত উপনীত। গমেই পোৱা নাছিল সিহঁত কিমান আগুৱাই গ'ল লাহেকৈ অগা পিছা কৈ দুই জনে অনুভৱ কৰিছিল ইটোৱে সিটোৰ প্ৰতি ভালপোৱা। সৃষ্টি হৈছিল সিহঁতৰ সম্পৰ্কত এটি নতুন নামা কাৰণ নাম আছিল প্ৰেম, দাদা ভন্টি আঁতৰি গল প্ৰেমিক প্ৰেমিকা ৰূপত প্ৰতিষ্ঠা হ'ল, কেইবা বাৰু লগ হল ফলত অন্তৰিকতা আৰু বেছি হৈ গৈ থাকিল, তেনে এটা সময়তে এদিন বিবাহৰ পবিত্ৰ বান্ধোন সোমাই পৰিল, আৰম্ভ হ'ল নতুন জীৱন।


সকলো ঠিকেই আছিল, এদিন হঠাৎ মধু অসুস্থ হৈ উঠিল। এদিন দুদিন কৈ বহু দিন, সম্পূৰ্ণ এটা বছৰ, আৰোগ্য নাম লোৱা নাই কেণ্ঢাৰ ৰোগত আক্ৰান্ত তাই, ডাক্তৰে কৈছে বেছি দিন তাই জীয়াহঁ নাথাকে, সৰগ খহি পৰিল নিৰঞ্জন মূৰত। ভবাই নাছিল, সময়ে তাক এনেকৈ ঠগিব বুলি। ভাবিছিল সি তাইক ভাল কৰি তুলিব, তাইৰ কথা আগেই জনাৰ পাছতো তাইক বিয়াৰ প্ৰস্তাব দিছিল অগ্ৰাহ্য কৰিছিল মধুৱে কাৰণ তাইৰ কাৰণে নিৰঞ্জনৰ জীৱনত বিষাদ ঢল বোৱাব বিচৰা নাছিল, কিন্তু নিৰঞ্জনে এৰি দিয়া নাছিল সি বিচৰা নাছিল তাইক এৰি আনক নিজৰ কৰিব। কাৰণ তেতিয়া অনিতাৰ কেঞ্চাৰ প্ৰথম ষ্টেপতে আছিল বিশ্বাস আছিল ভাল হব, বিশ্বাস আছিল, ফলত অজস্ৰ চেষ্টা কৰিলে সি কিন্তু সময় বেয়া আছিল খুব কম সময়তে শেষ ষ্টেপলৈ গুচি গল তাইৰ বেমাৰ। শেষত নিঠৰুৱা কৰি তাই তাৰ কাষৰ পৰা আঁতৰি গল, উভতি নহা বাটেৰে। থৈ গল তাৰ সন্মুখত এটি স্মৃতি যাৰ ৰূপে এখন ডায়েৰী যি খন ৰ কথা কোনো দিন জনা নাছিল নিৰঞ্জন দত্তই মধুৱে তাইৰ জীৱন শেষ ক্ষণত তুলি দিছিল চকুলো টুকি টুকি তাৰ হাতত। য'ত লিখা আছিল জীৱন কালত নিৰঞ্জনলৈ বুলি এমুঠি অসহায় কথা যিবোৰ তাৰ মৰমৰ পত্নী হিচাপে তাক সি দিয়া মৰমৰ প্ৰতিদান হিচাপে উপহাৰ দিবলৈ ইচ্ছা আছিল কিন্তু তাইৰ ৰুগীয়া চমু জীৱনে তাক দিব নোৱাৰিলে তাই জীৱন বাটত সেই উপহাৰ বোৰ, আৰু শেষ পৃষ্ঠা লিখা আছে এটি এমুঠি ক্ষমাৰে বুকুত নিৰঞ্জনক কৈছে ক্ষমা কৰিবা, মোৰ অমাবস্যাৰ জীৱনৰ আন্ধাৰে আৱৰা আকাশত জিলিকি থকা পূৰ্ণিমাৰ জোন তুমি। মোক লৈ বহুত সপোন দেখিছিলা কিন্তু তোমাৰ দুৰ্ভাগ্য মোৰ প্ৰিয়

(আঠপৃষ্ঠাত চাওক)


অসম চৰকাৰ
জনতাৰ চৰকাৰ
my GOV
মাননীয় প্ৰধানমন্ত্ৰী
শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ
অসমবাসীৰ আন্তৰিক কৃতজ্ঞতা
মুঠ প্ৰকল্প ব্যয়
৬,৯৫৭
কোটি টকা
কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন
কাজিৰঙাত ৩৪.৫ কিঃমিঃ দৈৰ্ঘ্যৰ
এলিভেটেড় কৰিড'ৰ
৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৮৫.৬ কিঃমিঃ দৈৰ্ঘ্যৰ কলিয়াবৰ-নুমলীগড় অংশক
চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণ
JANASANYOG- 2571/25/19-Oct-25
জখলাবন্ধা আৰু বোকাখাতত ২১ কিঃমিঃ দৈৰ্ঘ্যৰ গ্ৰীণফিল্ড বাইপাছ নিৰ্মাণ
বৰ্তমানৰ ৩০.২২ কিঃমিঃ পথ বহল আৰু উন্নীতকৰণ
কাজিৰঙাত পৰ্যটনৰ প্ৰসাৰ আৰু উদগনি
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

# স্মাৰ্টফোন

সবিতা বেগম,বৰপেটা




সৎ সংগয় স্বৰ্গ বাস, অসৎ সংগয় নৰক বাস। কথাষাৰ একেবাৰেই সত্য, ডাঙৰ ল'ৰা ৰমেশৰ লিখা পঢ়াত খুবেই ভাল, ডক্টৰ হোৱাৰ সপোন, এইচ এছ পৰীক্ষাত প্ৰথম স্থান দুটাত লেটাৰ সহ উৰ্ত্তীণ হ'ল। কলেজত যোৱাৰ পৰাই স্মাৰ্টফোনৰ খুবেই প্ৰয়োজন, ফোন লাগিবয় লাগিব। ক'ত ইমান টকা দৰ্জাৰ সন্মুখত হাজাৰ সমস্যাই সমস্যা। অসুস্থ দেউতাক ঘৰত, সৰু ভন্টি নমিতা ফেচবুক প্ৰেমিকৰ সতে পলাই গৈছিল বিয়াত বহিবলৈ কিন্তু প্ৰতাৰণা কৰি বিক্ৰী কৰিব লৈছিল কোনোমতে জীৱনটো উদ্ধাৰ.....। বিয়াৰ গহনা বিক্ৰী কৰি মাকে প্ৰয়োজন বুলি কিনি দিলে আই ফোন। হয়তো এদিন ল'ৰাটো ডাঙৰ মানুহ হ'ব বুলি। হয়তো সিদিনা আৰু কোনো দুঃখ কষ্ট নাথাকিব.....।

ভালেই চলিল বছৰ ছয়মাহ। এতিয়া ল'ৰাটো কাৰো লগত বেছি কথা নকয় মন মাৰি থাকে, যেন খুবেই অসুস্থ, দামি আই ফোনটো হাতত নাই, হাতত পুৰণি মোবাইল ফোন এটা। ঘৰৰ টকা পইচা বয় বস্তু চোৰ কৰি বিক্ৰী কৰি দিয়ে, গোটেই ৰাতি বন্ধু বান্ধবৰ সৈতে বাহিৰত থাকে। মাকে এদিন বিছনাত ড্ৰাগছ, মদৰ বটল.... আদি পালে মাজে সময়ে বিড়ি, চিগাৰেট খাবলৈ দেখা পোৱা যায়, কিবা ক'লে বন্ধু বৰ্গক দেখুওৱায়। মাকে পূৰ্ণিমাৰ জোনৰ আশাত অমাৱস্যাত লুতুৰি পৰিলে....। অৱশেষত জানিব পাৰিলে প্ৰেমৰ পৰিনতি, ছলনাময়ীৰ ফান্দত পৰি বিশ্বাস কৰি আপোন ভাবি জীৱনৰ আশাৰ বাতি নুমাই, ৰঙা বাতি হে জ্বলালে, ছোৱালী জনী বোলে বেলেগ ল'ৰা এটাক ভাল পায়, টকা-পইচা লুটি-পুটি খাই এতিয়া যোগাযোগ বন্ধ কৰি দিছে। ছোৱালী এজনীক বহুত বহুত ভাল পাইছিল সেয়ে পাহৰিবলৈ মাদক সেৱন এতিয়া অভ্যাসত পৰিণত অসহ্যত এতিয়া জীৱনৰ ঘন্টা বাজি গ'ল।

ডক্টৰৰ ওচৰত লৈ যোৱাত ভিন্ন পৰিক্ষাৰ জৰিয়তে জানিব পৰা গ'ল অত্যন্ত মাদক দ্ৰব্য সেৱনৰ ফলত কিডনী এটা নষ্ট হৈ গৈছে। ঘৰত যিখিনি সম্বল আছিল সকলো খিনি বিক্ৰী কৰি মেডিকেলত ভৰ্তি কৰালে অলপ সুস্থ হ'ল যদিও কপালে পিছ এৰি নিদিলে, নতুন মায়াবিনী আকৌ দ্বিভাগ ৰাতি দৰ্জা খটখটালে ফেচবুকত, প্ৰেমৰ জাল পাতি আৱদ্ধ কৰিলে মায়াত। ছমাহ মান পাছত প্ৰেমৰ ছলনা কৰি টানি নি কু-কৰ্মত লিপ্ত কৰালে আৰু কেইমাহমান পাছতে অন্তঃসত্তা বুলি অধিকাৰৰ দাবী জনালে, মান্তি নোহোৱাত পুলিচ লৈ আহি দহ লাখ টকাৰ দাবী জনালে, ৰমেশ মান্তি নোহোৱাত ধৰি লৈ জেলত বন্দী কৰিলে। অৱশেষত জানিব পৰা গ'ল ছোৱালী জনী ডিভোৰ্চী দুটি সন্তানৰ মাক মধু চক্ৰৰ সৈতে জড়িত.....।

# ক্ষমতা স্থায়ী নে ?

ড° বুলজিৎ বুঢ়াগোহাঁই



ক্ষমতা কেতিয়াও চিৰস্থায়ী নহয়। ৰাজনীতিৰ ক্ষেত্ৰত নাইবা সংগঠনৰ পৰিসৰত ক্ষমতাৰ পদ স্থায়ী হৈ নাথাকে। সেয়েহে, ক্ষমতাৰ অধিকাৰী হোৱা ব্যক্তিজনে সদায় মনত ৰাখিব লাগে যে ই এক অস্থায়ী বিশেষাধিকাৰ, স্থায়ী অধিকাৰ নহয়। ক্ষমতা লাভ কৰাটোৱে দায়িত্ববোধৰো আহ্বান জনায়। ক্ষমতা ন্যায়সঙ্গত আৰু বুদ্ধিদীপ্তভাৱে প্ৰয়োগ হৈছে নে নাই সেয়া প্ৰতিটো নেতৃস্থানীয় ব্যক্তিৰ নৈতিক কৰ্তব্য। ক্ষমতাৰ অপব্যৱহাৰ কেতিয়াও নৈতিক নহয়, আৰু ইয়াৰ পৰিণাম অৱশ্যম্ভাৱী। ইয়াৰ দ্বাৰা ব্যক্তিগত স্তৰত হোৱা লগতে সমগ্ৰ সমাজ বা সংগঠনটোৱেও ক্ষতিগ্ৰস্ত হয়।

ইতিহাসৰ পাতত বহুতো উদাহৰণ দেখা যায়, য'ত নেতা, প্ৰশাসক বা জনপ্ৰতিনিধিসকলৰ একাংশই নিজৰ ব্যক্তিগত স্বাৰ্থৰ বাবে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে। কিন্তু শেষত তেওঁলোকে অৱশ্যে পতনৰ সন্মুখীন হৈছে। এই ঘটনাবোৰে এটা চিৰন্তন সত্য প্ৰমাণ কৰে যে কোনো ব্যক্তিয়ে নিজৰ কৰ্মফলৰ পৰা পলাব নোৱাৰে। ক্ষমতা হৈছে এটা সঁজুলি, আৰু যিকোনো সঁজুলিৰ দৰে ইয়াকো গঠনমূলক বা ধ্বংসাত্মক উদ্দেশ্যত ব্যৱহাৰ কৰা যায়। যিসকলে ন্যায়, সততা আৰু দূৰদৰ্শিতাৰে ক্ষমতা প্ৰয়োগ কৰে, তেওঁলোকে সমাজত এটা স্থায়ী আৰু ধনাত্মক প্ৰভাৱ পেলায়; কিন্তু যিসকলে স্বাৰ্থসিদ্ধিৰ বাবে ক্ষমতাৰ অপব্যৱহাৰ কৰে, তেওঁলোকে অৱশেষত নিজৰ বিশ্বাসযোগ্যতা, সন্মান, আৰু শেষত নিজৰ পদও হেৰুৱায়। নাগৰিক হওক, কৰ্মচাৰী হওক বা নেতা হওক, সকলোৱে এই কথা মনত ৰখাটো গুৰুত্বপূৰ্ণ। বিশেষকৈ যেতিয়া ইয়াৰ লগত আনৰ ওপৰত কৰ্তৃত্ব জড়িত হৈ থাকে তেতিয়া সেইবোৰ সমাজে সদায় লক্ষ্য কৰি থাকে। আজিৰ আন্তঃসংযোগী পৃথিৱীখনত স্বচ্ছতা বৃদ্ধি পাইছে, আৰু অনৈতিক আচৰণ লুকুৱাই ৰখাটো ক্ৰমান্বয়ে কঠিন হৈ পৰিছে। সহকৰ্মী হওক, নাগৰিক হওক বা সজাগ পৰ্যবেক্ষকেই হওক, ক্ষমতাৰ ব্যৱহাৰ পৰ্যবেক্ষণ আৰু মূল্যায়ন কৰি থাকে। দায়বদ্ধতা ঐচ্ছিক নহয়; ই জীৱনৰ এক অনিবাৰ্য অংশ। কৰ্তৃত্বৰ পদত অধিষ্ঠিত লোকসকলে স্বীকাৰ কৰিব লাগিব যে তেওঁলোকৰ সিদ্ধান্তই কেৱল বৰ্তমানতে নহয়, ভৱিষ্যততো প্ৰভাৱ পেলায়। সুশাসন, নৈতিক নেতৃত্ব আৰু দায়িত্বশীল সিদ্ধান্ত গ্ৰহণ আদিয়ে ক্ষমতাক ফলপ্ৰসূভাৱে আৰু বৃহত্তৰ মংগলৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰাটো নিশ্চিত কৰে।

ক্ষমতা কোনো ব্যক্তিগত সম্পত্তি নহয়, ই হৈছে আনসকলৰ দ্বাৰা অৰ্পিত এক গুৰুত্বপূৰ্ণ দায়িত্ব। নেতা আৰু কৰ্তৃত্বশীল ব্যক্তিসকলে সদায় মনত ৰাখিব লাগিব যে তেওঁলোকৰ পদ বা স্থান জনসাধাৰণৰ বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি স্থাপন হোৱা। যেতিয়া ক্ষমতাৰ অপব্যৱহাৰ বা দুৰ্ব্যৱহাৰ কৰা হয়, তেতিয়া সেই বিশ্বাস ভঙ্গ হয়, আৰু তাৰ ফলাফল তৎক্ষণাত আৰু অপৰিৱৰ্তনীয় ৰূপে প্ৰকাশ পায়। সেয়েহে, নৈতিকভাৱে ক্ষমতা প্ৰয়োগ কৰাটো কেৱল পদ ৰক্ষাৰ বাবেই নহয়, বৰং দীৰ্ঘম্যাদী সন্মান আৰু প্ৰভাৱ অক্ষুণ্ণ ৰখাৰ বাবেও অতি প্ৰয়োজনীয়।

ক্ষমতা হৈছে এক অস্থায়ী আৰু চৰ্তসাপেক্ষ বিশেষাধিকাৰ, যাক সাৱধানতা, দায়িত্ববোধ আৰু স্বচ্ছতাৰ সৈতে ব্যৱহাৰ কৰিব লাগিব। ক্ষমতাৰ অপব্যৱহাৰৰ সদায়ে পৰিণাম থাকে আৰু কৰ্মফল সদায় প্ৰকাশ পায়। ৰাজহুৱা পদৰ পৰা আৰম্ভ কৰি সাংগঠনিক নেতৃত্বলৈকে ক্ষমতাৰ পদবীত থকা সকলো ব্যক্তিয়ে এই কথা স্বীকাৰ কৰাটো অতি প্ৰয়োজনীয় যে তেওঁলোকৰ আচৰণ অহৰহ পৰ্যবেক্ষণ কৰা হয়, তেওঁলোকৰ কৰ্তৃত্ব প্ৰয়োগৰ দ্বাৰা তেওঁলোকৰ চূড়ান্ত উত্তৰাধিকাৰ নিৰ্ধাৰণ কৰা হয়। ক্ষমতাক সঠিকভাৱে ব্যৱহাৰ কৰিলে প্ৰগতি, সন্মান আৰু ইতিবাচক পৰিৱৰ্তন হ'ব পাৰে; অপব্যৱহাৰ কৰিলে ইয়াৰ ফলত পতন, সমালোচনা আৰু বিশ্বাসযোগ্যতা হেৰুৱাবলগীয়া হয়। দায়িত্বপূৰ্ণ পদত থকা প্ৰতিজন ব্যক্তিক বুদ্ধিমত্তাৰে, নৈতিকভাৱে, আৰু এনে ধৰণে ব্যৱহাৰ কৰিবলৈ প্ৰেৰণা দিব লাগে, যাৰ দ্বাৰা তেওঁলোকে নিজৰ লগতে সমাজখনৰো উপকৃত হয়।

# তেজপিয়া

মিতালি বৰঠাকুৰ, মালিগাওঁ



এওঁলোক সমাজৰ, দেশৰ তেজপিয়া
যি ৰুগ্ন মানসিকতাত আক্ৰান্ত
যাৰ মগজুৰ ভিতৰত হাজাৰ বিষাক্ত পোকে
কিলবিলাই থাকে
কোন সময়ত কাক দংশন কৰে
তাৰ কোনো ঠিকনা নাই
মুখাপিন্ধা বৰ আসনত বহি
জাতিক প্ৰতিনিধিত্ব কৰিব বিচৰা এওঁলোক
দুস্কৃতি, অমানবীয়তাৰ দুৰ্গন্ধৰে পৰিপূৰ্ণ
একোটা সমাজৰ বিষাক্ত কীট
আনৰ তেজ শুহি শুহি শিৰ উচ্চ কৰি
দপদপাই ফুৰে এইজাক তেজপিয়া
যাৰ পদধ্বনি মানুহে শুনা নাপায়
কিয়নো, তেওঁলোকৰ মুখৰ আঁৰত থাকে
আন এখন ভদ্ৰতাৰ মুখ
তেজপিয়াৰ দৰেই ৰং সলাই বিচৰণ কৰে
ভদ্ৰ সমাজত
ক্ষন গণে মাথোঁ সুযোগ বিচাৰি।

# অমাবস্যাৰ আকাশত

দিঠক নোহোৱাৰিলে একো সপোন, কাৰণ মই যে তোমাৰ বাবে দুৰ্ভাগ্য এটি নাম।

কথা খিনি কোৱাৰ লগে লগে হাত চাপৰি বাজি উঠিল, তাৰ পাছত লাহে লাহে সকলোৰে চকুত চকুপানী, অলপ সময় নিশব্দ হৈ ৰোৱা সভা গৃহৰ নীৰৱতা ভাঙিলে মাত্ৰ ঘোষক জনে তেওঁ যেতিয়া কলে এতিয়া আমাৰ মৰমৰ প্ৰখ্যাত লেখক, মিষ্টাৰ নিৰঞ্জন দত্তই তেওঁৰ সদ্য প্ৰয়াত পত্নী তথা লেখিকা মধুস্মিতা চলিহা দত্ত ৰ স্মৃতিত তেখেতৰ লেখাৰে প্ৰকাশ কৰি উলিওৱা আৰু আজি উন্মোচন হোৱা "অমাৱস্যাৰ আকাশত পূৰ্ণিমাৰ জোন" শীৰ্ষক কিতাপ খনৰ বিষাদে আৱৰা এটি মনোৰম পৃষ্ঠা পঢ়ি শেষ কৰাৰ লগে লগেই আমাৰ আজিৰ সভা ভংগ ঘোষণা কৰিলোঁ।

# ফাষ্টট্ৰেক আদালতত হ'ব

যদিও নিয়ম অনুসৰি ৯০ দিনৰ ভিতৰত অভিযোগনামা দাখিল কৰিব লাগে, তথাপি এছআইটিয়ে নৱেম্বৰ মাহৰ ভিতৰত তদন্ত সামৰি আদালতত অভিযোগনামা দিয়াৰ পথত আগবাঢ়িব। আনহাতে কেবিনেটে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এটা অনুৰোধ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। যাতে উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া সোনকালে হয় তাৰ বাবে এখন ফাষ্টট্ৰেক আদালত গঠনত অনুৰোধ কৰিব। ন্যায় যিহেতুকে আদালতে কৰে আৰু আদালতত এই প্ৰক্ৰিয়া দীঘলীয়া হয়, গতিকে ৰাইজে দীঘলীয়া সময় দিব বিচৰা নাই। সেইকাৰণে কেবিনেটত আজি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে মুখ্যমন্ত্ৰীয়ে মুখ্য ন্যায়াধীশৰ লগত যোগাযোগ কৰি যি মুহূৰ্ততেই অভিযোগনামা দাখিল কৰা হ'ব, সেই মুহূৰ্তত যাতে এখন ফাষ্টট্ৰেক আদালত গঠন হয়। এই আদালতত প্ৰতিদিনেই শুনানি হ'ব পাৰে আৰু খুব সোনকালে এই অভিযোগনামাখনৰ ওপৰত বিচাৰ প্ৰক্ৰিয়া চলিব পাৰে। ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰে যে ৰাজ্যৰ মহাধিবক্তাৰ লগত আলোচনা কৰি এজন চৰকাৰী অধিবক্তা নিয়োগ কৰিব। যিজন অধিবক্তাই আন সকলো গোচৰৰ পৰিৱৰ্তে একমাত্ৰ জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা দাখিলৰ পিছত চলিব লগা গোচৰটোৰ আৰম্ভণিৰ পৰা ৰায়দান নোহোৱালৈকে তেওঁ জড়িত হৈ থাকিব। সেয়েহে কেবিনেটে আজি ন্যায় প্ৰক্ৰিয়াক আগুৱাই নিয়াৰ বাবে এজন বিশেষ চৰকাৰী অধিবক্তা নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। মহাধিবক্তাৰ লগত আলোচনা কৰি চৰকাৰী অধিবক্তাজনৰ নাম প্ৰকাশ কৰা হ'ব। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক তদন্তৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন হোৱা আয়োগত অস্থায়ীভাৱে চাৰি অধিবক্তাক নিযুক্ত কৰা হৈছে। কেবিনেটে আজি ফাষ্টট্ৰেক আদালত গঠনৰ বাবে লোৱা সিদ্ধান্তৰ সমান্তৰালকৈ ন্যায়িক আয়োগত এতিয়াৰে পৰা কাম-কাজত জড়িত হৈ থাকিব চাৰিজন অধিবক্তা। এই অধিবক্তাকেইজন হ'ল- পল্লৱ কাকতি, সমুদ্ৰগুপ্ত দত্ত, অৰ্ণৱ বিশ্বাস আৰু ভাস্কৰ শৰ্মা।

# শ্যামকানু-সিদ্ধাৰ্থসহ পাঁচজনক

বাহনেৰে লৈ যায়। আদালতত প্ৰায় ১.৪০ ঘণ্টা সময় শুনানিৰ পিছতে ন্যায়াধীশে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ কৰিব পাৰি যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত কৰিবলৈ এছআইটিয়ে ১৮/২০২৫ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল আৰু যোৱা ১ অক্টোবৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰিছিল। সেইদিনাই দুয়োকে এছআইটিয়ে কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰায় আৰু আদালতে দুয়োকে ১৪ দিনৰ বাবে এছআইটিৰ জিম্মাত দিয়ে। আৰু বুধবাৰে তেওঁলোকৰ আৰক্ষীৰ জিম্মা অন্ত পৰে। আনহাতে কেইবাদিনো সোধা-পোছাৰ অন্তত এছআইটিয়ে জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ তথা বকো সমজিলাৰ তদানীন্তন ডিএছপি সন্দীপন গাৰ্গক যোৱা ৮ অক্টোবৰত উলুবাৰীৰ চিআইডি কাৰ্যালয়তে গ্ৰেপ্তাৰ কৰে। পৰৱৰ্তী সময়ত তেওঁকো আদালতত হাজিৰ কৰোৱা হয় আৰু ৭ দিনৰ বাবে আদালতে এছআইটিৰ জিম্মাত দিয়ে। ইফালে জুবিন গাৰ্গৰ দুই ব্যক্তিগত দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যকো যোৱা ১০ অক্টোবৰত এছআইটিয়ে গ্ৰেপ্তাৰ কৰে। বেংক একাউণ্টত জুবিন গাৰ্গৰ কোটিৰো অধিক ধনৰ লেনদেন সংক্ৰান্তত এছআইটিয়ে তেওঁলোকক গ্ৰেপ্তাৰ কৰে। তেওঁলোককো কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে তেওঁলোকক ৫ দিনৰ এছআইটিৰ জিম্মাত দিয়ে। আজি আদালতত এই সকলোকেইজনক হাজিৰ কৰোৱাৰ সময়ত আদালত চৌহদৰ লগতে আদালত চৌহদলৈ যোৱা পথত যথেষ্টসংখ্যক আৰক্ষী আৰু নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। আদালতৰ পৰা তেওঁলোকক এছআইটি তথা অসম আৰক্ষীয়ে পাণবজাৰ থানালৈ লৈ যায় আৰু তাৰ পিছত নিকাছিত থকা বাক্সা জিলা কাৰাগাৰলৈ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে লৈ যায়। আনহাতে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ তথা জুবিনৰ দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ হৈ কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত কোনো অধিবক্তাই ওকালতি নকৰিলে। কোনো অধিবক্তাই অভিযুক্তসকলৰ হৈ আদালতত যুক্তি-তৰ্কত লিপ্ত নহ'ল।

# বাক্সাৰ হিংসাত্মক ঘটনা সন্দৰ্ভত

ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ তেওঁলোকে এইদৰে প্ৰৰোচিত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এনে কাৰ্যৰ জৰিয়তে প্ৰগতিৰ দিশলৈ আগবাঢ়ি যোৱা অসমখনক পিছুৱাই নিয়াৰ ষড়যন্ত্ৰ চলিছে। ভাৰতীয় গণতন্ত্ৰত ন্যায় প্ৰদান কৰাৰ অধিকাৰ কেৱল আদালতৰহে আছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। এই প্ৰসংগতে তেওঁ পুনৰ কয় যে আদালতত এটা শক্তিশালী গোচৰ লৈ যোৱাৰ দায়িত্ব হৈছে আৰক্ষী-প্ৰশাসনৰ। প্ৰমাণ, জেৰা, গ্ৰেপ্তাৰ আদিৰ জৰিয়তে আৰক্ষীয়ে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ হকে অনৰ্গল কাম কৰি আছে। নিৰ্ধাৰিত সময়ৰ বহু আগতেই আদালতত আৰক্ষীয়ে চাৰ্জশীট দাখিল কৰিবলৈ সক্ষম হোৱাৰ আশা কৰা হৈছে। কিন্তু বাক্সাত আজি যি ঘটনা সংঘটিত হ'ল সেয়া সম্পূৰ্ণৰূপে নিন্দনীয় আৰু গৰিহণাৰ যোগ্য। বাক্সাৰ ঘটনাই মনোকষ্ট দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ভাষ্য- ভাৰতৰ দৰে সভ্য দেশত ন্যায়িক প্ৰক্ৰিয়া তথা আদালতৰ ওপৰত বিশ্বাস ৰাখিব লাগে। জাতিৰ পিতা মহাত্মা গান্ধীৰ হত্যাকাৰী নাথুৰাম গড়ছেক শাস্তি প্ৰদান কৰিবলৈকো এবছৰ সময় লাগিছিল। প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী-ৰাজীৱ গান্ধীৰ হত্যাকাণ্ডৰ বিচাৰো ন্যায়িক প্ৰক্ৰিয়াৰ মাজেৰে সম্পন্ন হৈছিল। ৰাজনৈতিক নেতাৰ বক্তব্য-মন্তব্যত প্ৰৰোচিত নহ'বলৈ তেওঁ অসমৰ জনসাধাৰণক আহ্বান জনায়। তেওঁ অসমবাসীক উদ্দেশ্যি কয় যে যিসকলে জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতি কৰিব বিচাৰিছে, তেওঁলোকক ৰাজনীতি কৰিবলৈ দিয়ক। আপোনালোকে ভোল নাযাব। কেৱল ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰাৰ বাবে একাংশই ৰাইজক প্ৰৰোচিত কৰিবলৈ ইমান তললৈ যাব পাৰে বুলি কোনেও কল্পনাও কৰা নাছিল। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সম্পূৰ্ণ পেছাদাৰীভাৱে চলাই থকা হৈছে। আৰেগৰ জৰিয়তে কেতিয়াও কোনো তদন্ত হ'ব নোৱাৰে। প্ৰিয় শিল্পীৰ মৃত্যু কাৰো কাৰণে ৰাজনৈতিক হাতিয়াৰ হ'ব নালাগে। বাস্তৱত যিসকল লোকে জুবিন গাৰ্গক সমালোচনা কৰিছিল সেইসকল লোকেই নিশাটোৰ ভিতৰতে জুবিন গাৰ্গৰ অনুৰাগী হৈ পৰিছে। জুবিন গাৰ্গৰ মৃত্যুক নিৰ্বাচনী ইছ্যু নকৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যেতিয়ালৈকে জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি অসমত এটাও গুলীচালনাৰ কাণ্ড সংঘটিত নহয়, তেতিয়ালৈকে ৰাজ্যখনক শান্ত হ'বলৈ দিয়া নহ'ব। এনেধৰণৰেই যেন ষড়যন্ত্ৰ ৰচনা কৰি থকা হৈছে।

# ৰাজ্যিক কেবিনেটত

আয়োগখনে নিজাকৈ তদন্ত কৰি জিলা আয়ুক্ত আৰু ৰাজ্য চৰকাৰক নিৰ্দেশ দিব পাৰিব। বিশেষভাৱে বেদখলৰ ক্ষেত্ৰত আয়োগে আয়ুক্ত বা চৰকাৰক নিৰ্দেশ দিব পাৰিব। সত্ৰ আয়োগৰ এক পুঁজি থাকিব। এই পুঁজিৰ জৰিয়তে ঐতিহ্যমণ্ডিত সত্ৰসমূহত মেৰামতি বা সংৰক্ষণৰ দিশত পুঁজি ব্যয় কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এই সত্ৰ আয়োগখনে ৰাজ্য চৰকাৰ আৰু জিলা আয়ুক্তৰ ওপৰত এক ক্ষমতা লাভ কৰিব যাৰ দ্বাৰা সত্ৰৰ ভূমি সংৰক্ষণ বা সত্ৰ সংৰক্ষণৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। অসম চুক্তিৰ ৬নং দফাৰ ওপৰত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগে দাখিল কৰা পৰামৰ্শৰ ভিত্তিত ৰাজ্য চৰকাৰে গ্ৰহণ কৰি ইয়াৰ ভিত্তিত এই সত্ৰ আয়োগ গঠনত সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে চলিত বৰ্ষৰ ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ বিষয়া-কৰ্মচাৰী তথা পেন্সনাৰসকলৰ বাবে তিনি শতাংশ মৰণীয়া বানচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৰ্তমান ৫৫ শতাংশ মৰগীয়া বানচ লাভ কৰি থকা ৰাজ্যৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ এতিয়া ৫৮ শতাংশলৈ বৃদ্ধি হ'ব। কেবিনেটে বৈঠকে ২০২৫-২৬ বৰ্ষত নিযুত মইনা আঁচনিখন ৰূপায়ণৰ বাবে মাধ্যমিক শিক্ষা বিভাগক ৰচপ্ত.ৰচ কোটি টকা প্ৰদানত অনুমোদন জনায়। অহা ২৭ অক্টোবৰৰ পৰা এই আঁচনিখনৰ ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যিক কেবিনেটে আছাম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পেনী লিমিটেডত ১২৭২.০৯ কোটি টকাৰ ইকুইটী নিৱেশত অনুমোদন জনায়। এই প্ৰতিষ্ঠানটোৱে নামৰূপ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ ভূমিত ১০ হাজাৰ ৬০১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এম'নিয়া-ইউৰিয়া প্ৰকল্পৰ বাৰ্ষিক উৎপাদন সামৰ্থ্য হ'ব ১২.৭ লাখ মেট্ৰিকটন। এই উদ্যোগটোৱে ৪৬০ গৰাকী স্থায়ী আৰু ১, ৫০০ গৰাকী আন ধৰণৰ কৰ্মচাৰী নিয়োগৰ সুবিধা বৃদ্ধি কৰিব। চলিত বৰ্ষৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই নতুন প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে।

# শ্ৰীমন্ত শংকৰদেৱ

সাধাৰণ পৰিষদখন গঠন কৰা হৈছে। চৰকাৰী অধিসূচনা অনুসৰি পাঁচবছৰীয়া কাৰ্যকালৰ বাবে গঠিত সাধাৰণ পৰিষদৰ বৈঠকতে কলাক্ষেত্ৰ সমাজৰ কাৰ্যনিৰ্বাহী পৰিষদখনো আনুষ্ঠানিকভাৱে গঠন কৰা হয়। বৈঠকত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননীয় অতিৰিক্ত মুখ্য সচিব ড° বি. কল্যাণ চক্ৰৱৰ্ত্তী, বিত্ত বিভাগৰ সচিব মৌচুমী বৰুৱা, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালক ৰাহুল চন্দ্ৰ দাস, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰৰ উপৰিও মাজুলীৰ শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰীজনাৰ্দ্দন দেৱগোস্বামী, প্ৰখ্যাত ভাস্কৰ্য শিল্পী বীৰেন সিংহ, পদ্মশ্ৰীপ্ৰাপক সত্ৰীয়া শিল্পী ঘনকান্ত বৰা বৰবায়ন, অকাডেমী বঁটা প্ৰাপক নাট্যশিল্পী প্ৰাঞ্জল শইকীয়া, অকাডেমী বঁটাপ্ৰাপক, সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকশিল্প বিভাগৰ অধ্যাপিকা ড° পল্লৱী বৰা, চাহ জনজাতীয় সমাজকৰ্মী, লেখক সুশীল কুৰ্মী, জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মা, শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° জয়শ্ৰী দে, বিশিষ্ট লোকশিল্পী তথা অসম গৌৰৱ বঁটা প্ৰাপক ৰঞ্জিত গগৈ, বিশিষ্ট শিল্পী তথা অসম গৌৰৱ বঁটা প্ৰাপক নাদীৰাম দেউৰী, বিশিষ্ট লোকশিল্পী তথা অসম গৌৰৱ বঁটাপ্ৰপ্ৰাপক বাৰলাংফা নাৰ্জাৰী, বিশিষ্ট কণ্ঠশিল্পী তৰালী শৰ্মা আৰু একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্তত আগন্তুক কাতি বিহু উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী বিমল বড়া ডাঙৰীয়াকে ধৰি বিশিষ্ট ব্যক্তিসকলে কলাক্ষেত্ৰ চৌহদত পাঁচযোৰা আকাশবন্তি প্ৰজ্জ্বলন কৰে।

# নতুন দিল্লীত ভাৰতস্থিত

কৰিব পাৰে, তাৰ বাবে ভাৰতস্থিত ছিংগাপুৰৰ ভাৰপ্ৰাপ্ত উচ্চায়ুক্তগৰাকীক মুখ্যমন্ত্ৰী ড° শৰ্মাই আহ্বান জনায়। এইক্ষেত্ৰত ছিংগাপুৰৰ আৰক্ষীয়ে অসম আৰক্ষীক সহযোগিতা কৰাৰ আশ্বাস দিয়ে দেশখনৰ ভাৰপ্ৰাপ্ত উচ্চায়ুক্ত চেঙে। লগতে দুয়োপক্ষৰ আৰক্ষীয়ে তদন্তৰ তথ্যপাতি আদান-প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত সদৰী কৰে। তেওঁ জানিবলৈ দিয়া মতে, অসম আৰক্ষীৰ এছআইটিয়ে ছিংগাপুৰ আৰক্ষীৰ সৈতে কি কি বিষয়ক লৈ আলোচনা কৰিব, সেই বিষয়ে জানিব বিচাৰে দেশখনৰ ভাৰপ্ৰাপ্ত উচ্চায়ুক্তগৰাকীয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আৰক্ষীৰ দুজনীয়া এটা দলে ছিংগাপুৰৰ পৰা সেউজ সংকেত লাভ কৰা মাত্ৰেই দেশখন ভ্ৰমণ কৰিব। এই সময়ছোৱাত চাৰিটা বিষয়ত ছিংগাপুৰ আৰক্ষীৰ সৈতে আলোচনা কৰিব অসম আৰক্ষীয়ে। ভাৰতস্থিত উচ্চায়ুক্ত চেঙে ছিংগাপুৰ আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ অসমৰ জনগণক আহ্বান জনোৱা বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে।

# জুবিনক বিদেশলৈ নিয়াৰ

দৰবটো নোখোৱাকৈ থাকিব নালাগে। উল্লেখ্য যে ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ খবৰ পোৱাৰ পিছতেই সমগ্ৰ ৰাজ্যবাসী শোকত ভাগি পৰে। ইয়াৰ পিছতেই ৰাজ্যজুৰি জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দাবী উত্থাপন হৈছিল। চি আই ডিত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত গোচৰ ৰুজু কৰি এছ আই টিয়ে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, জুবিনৰ সম্বন্ধীয় ভাতৃ তথা আৰক্ষী বিষয়া সন্দীপন গাৰ্গ, সহশিল্পী অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী আৰু জুবিনৰ দুই ব্যক্তিগত দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যকে ধৰি মুঠ ৭ গৰাকীক এছ আই টিয়ে গ্ৰেপ্তাৰ কৰিছিল । বৰ্তমান তেওঁলোক ন্যায়িক জিম্মাত আছে। য়ট পাৰ্টিত থকা ১০ প্ৰবাসী অসমীয়াক জেৰা চলোৱাৰ লগতে জুবিন গাৰ্গৰ বন্ধুবৰ্গৰ পৰা ভাষ্য গ্ৰহণ কৰিছে এছ আই টিয়ে। আনহাতে শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ তদন্ত কৰিবলৈ অহা ২০ অক্টোবৰত ছিংগাপুৰ অভিমুখে ৰাওনা হ'ব এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেল।

# শেখৰ-অমৃতপ্ৰভাক ১৪

আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আন ৩ অভিযুক্ত ক্ৰমে সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক নিকাছিৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু শিল্পীগৰাকীৰ অনুৰাগীয়ে ৰাজপথত কৰা তীব্ৰ প্ৰতিবাদে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ পাছতে আৰক্ষীয়ে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। বিশাল কনভয়ৰ মাজেৰে কেইবাঘণ্টা ধৰি কটকটীয়া নিৰাপত্তা আৰেষ্টনীৰ মাজেৰে শেখৰ-অমৃতপ্ৰভাক হাফলং উপ-কাৰাগাৰলৈ নিয়া হয়। দুই অভিযুক্তক লগত লৈ চিআইডিৰ দলটো হাফলঙত উপস্থিত হোৱাৰ পিছতে কাৰাগাৰ চৌহদৰ নিৰাপত্তাও কটকটীয়া কৰি তোলা হয়।

# প্ৰাৰম্ভিক তদন্তত জুবিন

সময়সীমাৰ প্ৰয়োজন হ'ব। তদন্তৰ অন্তত সম্পূৰ্ণ প্ৰতিবেদন ছিংগাপুৰৰ ষ্টেট কোৰোনাৰৰ হাতত প্ৰদান কৰা হ'ব। উল্লেখ্য যে ষ্টেট কোৰোনাৰ হৈছে ছিংগাপুৰৰ ন্যায়িক বিষয়া। প্ৰতিবেদনখন ছিংগাপুৰ আৰক্ষীয়ে বিষয়াগৰাকীৰ হাতত অৰ্পণ কৰাৰ পাছতেই পৰৱৰ্তী ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব। আনুষ্ঠানিক বিবৃতিটোত অৱশ্যে ছিংগাপুৰ আৰক্ষীয়ে শিল্পীগৰাকীৰ মৃত্যুক লৈ অনলাইনত বহু ভুৱা অপপ্ৰচাৰ চলি থকাৰ কথাও উল্লেখ কৰি ৰাইজক তেনেধৰণৰ অপপ্ৰচাৰৰ পৰা দূৰৈত থাকিবলৈ আহ্বান জনাইছে। সমগ্ৰ তদন্তটো সম্পূৰ্ণ পেছাদাৰীভাৱে কৰাৰ প্ৰতিশ্ৰুতি দিছে ছিংগাপুৰ আৰক্ষীয়ে।

# জুবিনৰ মৃত্যু সন্দৰ্ভত

পাম যে ছিংগাপুৰ আৰক্ষীয়ে কিধৰণৰ তদন্ত কৰিছে বা তদন্তৰ গতি কি? যিহেতু ২১ অক্টোবৰত অসম আৰক্ষী আৰু ছিংগাপুৰ আৰক্ষীৰ মাজত বৈঠক অনুষ্ঠিত হ'ব সেয়েহে এই বিষয়টো সন্দৰ্ভত অধিক বক্তব্য দিব বিচৰা নাই। ঘূৰি অহাৰ পিছত অসম আৰক্ষীৰ দলটোৰ পৰা ছিংগাপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা বক্তব্য শুনিবলৈ পাম। তেতিয়া বহুখিনি কথা পোহৰলৈ আহিব।

# জুবিন গাৰ্গৰ মৃত্যুৰ

আৰক্ষীয়ে অসম আৰক্ষীলৈ মেইল প্ৰেৰণ কৰি তদন্তৰ বাবে ছিংগাপুৰৰ কোন ঠাইলৈ অসম আৰক্ষীৰ দল যাব আৰু আৰক্ষীৰ কোন কোন বিষয়া যাব সেই সন্দৰ্ভত সবিশেষ জনাবলৈ অনুৰোধ কৰিছিল। এই মেইলৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰৰ উচ্চায়ুক্ত এলিচ চেঙৰ সৈতে নতুন দিল্লীত বৈঠকত বহিছিল। এই বৈঠকৰ পাছতে এছআইটিক ছিংগাপুৰলৈ যোৱাৰ বাবে অনুমতি প্ৰদান কৰিলে ছিংগাপুৰে। ইফালে, ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা চিআইডিৰ বিশেষ সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই এই বিষয়ে সদৰী কৰি কয় যে ছিংগাপুৰ প্ৰশাসনে আমাক ২১ অক্টোবৰত তাত উপস্থিত হ'বলৈ কৈছে। গতিকে অহা ২০ অক্টোবৰত আমাৰ দলটো ছিংগাপুৰ অভিমুখে ৰাওনা হ'ব। যিহেতুকে ঘটনাটো তাত হৈছিল গতিকে ছিংগাপুৰত তদন্ত কৰাটো খুব জৰুৰী। ছিংগাপুৰ প্ৰশাসনে আমাক তদন্তৰ বাবে সেউজ সংকেত দিয়াটো অত্যন্ত প'জিটিভ কথা। সময়মতে এখন শক্তিশালী অভিযোগনামা দাখিল কৰাত সহায়ক হ'ব এই তদন্ত।

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গ

কোনেও মানিব ল'ব পৰা নাছিল সেই খবৰটো। আজি ১৯ অক্টোবৰ, অসমীয়া সংগীত জগতৰ প্ৰাণস্পন্দন জুবিন গাৰ্গ বিহীন এটা মাহ। সংগীতপ্ৰেমীৰ হৃদয়ত তেওঁৰ অভাৱ এতিয়াও গভীৰভাৱে অনুভূত। সোণাপুৰৰ শেষকৃত্যস্থলীত সংগীতপ্ৰেমীয়ে চাকি জ্বলাই এই মহান শিল্পীগৰাকীক এতিয়াও শ্ৰদ্ধা জনাই আহিছে অনুৰাগীয়ে। জুবিনৰ স্মৃতিত বিশেষ সংগীত অনুষ্ঠান, প্ৰাৰ্থনা সভা আৰু শোকসভাৰ আয়োজন কৰা হৈছে। নতুন শিল্পীৰ বাবে আছিল অনুপ্ৰেৰণা আৰু তেওঁৰ গান আজিও লাখ লাখ অনুৰাগীৰ মুখত বাজি থাকে। অসমীয়া সংস্কৃতিৰ এই উজ্জ্বল নক্ষত্ৰগৰাকীৰ নাম চিৰস্মৰণীয় হৈ থাকিব। ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি আয়োজন কৰা হৈছে প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ এমহীয়া মাংগলিক অনুষ্ঠান। সোণাপুৰৰ জুবিন সমাধি ক্ষেত্ৰত পুৱতি নিশাৰে পৰা অসমৰ ভিন্ন প্ৰান্তৰ পৰা মানুহ আহি উপস্থিত হৈছেগৈ। ধুবুৰীৰ পৰা শদিয়াৰ লৈকে সকলো মানুহ বাছেৰেই আহিছে আজি জুবিন সমাধিক্ষেত্ৰলৈ। আজিৰ দিনটোত পুৱা ১০বজাৰ পৰা আৰম্ভ হ'ব গীতা পাঠ। এই গীতা পাঠ বিগত দিনকেইটাত সদায়েই অব্যাহত আছে জুবিন সমাধি ক্ষেত্ৰত। ১১বজাত নাম-কীৰ্তনৰ লগতে দুপৰীয়া ৰচবজাত অনুষ্ঠিত হ'ব সৰ্বধৰ্মীয় প্ৰাৰ্থনা। ২ বজাৰ পৰা মাহ-প্ৰসাদ বিতৰণকে ধৰি লঘু আহাৰ গ্ৰহণ কৰিব পাৰিব ৰাইজে। বিয়লি ৩ বজাত ১০০টা নামতি দলে একেলগে নাম-প্ৰসংগ পৰিৱেশন কৰিব। সন্ধিয়া ৫ বজাত অনুষ্ঠিত হব ১০০ বাঁহী বাদকৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। নিশা ৬ বজাত শিল্পী, কলা-কুশলীসকলে বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পৰিৱেশন কৰিব। এই সমগ্ৰ অনুষ্ঠানটো প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হ'ব। নিশা ৮ বজাত পৰিৱেশন হ'ব অংকীয়া ভাওনা। উক্ত অনুষ্ঠানত উপস্থিত থাকিব শিল্পীগৰাকীৰ পৰিয়ালবৰ্গও। আনহাতে সামাজিক মাধ্যমত জুবিন গাৰ্গ নোহোৱা এটা মাহ সম্পূৰ্ণ হোৱাত পত্নী গৰিমা শইকীয়া গাৰ্গৰ বিশেষ পোষ্ট। গৰিমা শইকীয়া গাৰ্গে পোষ্টটোত লিখিছে, "তুমি আছা .. সদায় থাকিবা। মাথোঁ কল্পনা নহয়, আত্মাৰ বান্ধোন জন্মান্তৰলৈ! তুমিয়েই সকলো ক'বা.. হেজাৰ প্ৰশ্নৰ উত্তৰ আনি দিবা, , বাট পোহৰাই খোজ দিয়াবা.. মই জানোঁ! তুমিয়েই শিকালা, সাহস আৰু বিশ্বাস দিলা, পৃথিবী দেখুৱালা.. মই মাথো তোমাৰ আঙুলিত ধৰি গৈ থাকিলোঁ। মোৰ ঈশ্বৰপুৰুষ! তুমি মোক সদায়ে আৱৰি ৰাখিবা মই জানো! " লগতে #JusticeForZubeenGarg লিখি গৰিমাই সামাজিক মাধ্যমত বিচাৰিলে ন্যায় ।

# মন্ত্ৰী হিচাপে শপত ল'লে বি পি এফৰ

মহিলাৰীৰ উপৰি ভালেসংখ্যক বিধায়ক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, '২৬ ৰ পূৰ্বে বিপিএফৰ এজন বিধায়কক অসম মন্ত্ৰীসভাত স্থান দিয়াটো অসমৰ ৰাজনীতিৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিঘটনা হিচাপে পৰিগণিত হৈছে। এনডিএৰ নতুন অংশীদাৰ হিচাপে বিপিএফৰ এগৰাকী বিধায়কক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰি বিজেপিয়ে বিপিএফৰ লগত গঢ়ি তুলিলে নতুন মিত্ৰতা। লক্ষণীয়ভাৱে এনডিএত বিপিএফৰ এণ্ট্ৰীৰ বিপৰীতে বেকফুটলৈ গ'ল প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল। মন কৰিবলগীয়া যে বিটিচি নিৰ্বাচনৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিপিএফ যিহেতু এনডিএৰেই মিত্ৰদল, সেয়েহে বিটিচি নিৰ্বাচনত এনডিএৰ জয় হ'ব বুলি মন্তব্য কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই মন্তব্যৰ পাছতে বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীয়ে চৰ্ত বান্ধি দি ঘোষণা কৰিছিল- বিপিএফ এনডিএত থাকিবলৈ হ'লে ইউপিপিএল বাহিৰ হ'ব লাগিব। অৰ্থাৎ ইউপিপিএলৰ উপস্থিতিত বিপিএফে এনডিএত অন্তৰ্ভুক্ত নহয়। হাগ্ৰামা মহিলাৰীৰ এনে ঘোষণাই কিছু সংকটত পেলালেও বিষয়টোক মুখ্যমন্ত্ৰী ড° শৰ্মাই চম্ভালি লোৱাৰ পাছত চৰ্তহীনভাৱেই এনডিএত অন্তৰ্ভুক্ত হ'ল বিপিএফ। বিপিএফৰ এনডিএলৈ এনে আগমনে যে ইউপিপিএলৰ স্থিতি যে থৰক-বৰক কৰি তুলিব সেয়া নিশ্চিত। আনহাতে মাত্ৰ কেইটামান মাহৰ বাবে মন্ত্ৰিত্ব লাভ কৰা চৰণ বড়োৱে সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, "ভাল অনুভৱ কৰিছো। বিধায়ক হিচাপে ইতিমধ্যে চাৰে ন' বছৰ অতিক্ৰম কৰিলো; কিন্তু একেবাৰে শেষত পাঁচ-ছয় মাহৰ বাবে মন্ত্ৰী হোৱাৰ বাবে মই সুযোগ পালো। ইয়াৰ বাবে মই অত্যন্ত সুখ অনুভৱ কৰিছো।" এই সুযোগ দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীক ধন্যবাদ জনাই চৰণ বড়োৱে কয়, "দপ্তৰ যিয়েই নিদিয়ক কিয় মই ভালদৰে চলাই নিয়াৰ চেষ্টা কৰিম। জীৱনত বহুত চেলেঞ্জ আছে, কম সময়ৰ ভিতৰত শিকিবলগীয়াও বহুত আছে।" উল্লেখ্য যে অসম চৰকাৰৰ মন্ত্ৰীসভাত নতুন মন্ত্ৰীৰূপে শপত গ্ৰহণ কৰা চৰণ বড়োক পৰিবহণ বিভাগৰ দায়িত্ব দিয়া হৈছে । চৰণ বড়োক পৰিবহণ দপ্তৰৰ দায়িত্ব দিয়াৰ কথাটো বিশেষভাৱে চৰ্চাত আছিল। পূৰ্বে মন্ত্ৰী যোগেন মহনৰ দায়িত্বত আছিল পৰিবহণ বিভাগ। এই দায়িত্ব চৰণ বড়োক দিয়াৰ পাছত মন্ত্ৰী যোগেন মহনক লোকনিৰ্মাণ (পথ), ৰাষ্ট্ৰীয় ঘাইপথৰ দায়িত্ব দিয়া হয়। ইয়াৰ পূৰ্বে এই দায়িত্ব মুখ্যমন্ত্ৰীৰ হাতত আছিল ।

# কাকপথাৰৰ ভাৰতীয় সেনাৰ

১৯ গ্ৰেনেডিয়াৰ কেম্পত ধাৰাসাৰ গুলীবৰ্ষণ কৰাৰ লগতে আৰ পি জি (RPG) নিক্ষেপ কৰি সম্পূৰ্ণ শিবিৰ তথা কেম্পটোকে ধ্বংস কৰি দিয়াৰ চেষ্টা কৰে। প্ৰায় আধাঘণ্টাজোৰা দুয়োপক্ষৰ ধাৰাসাৰ গুলীবৰ্ষণৰ ফলত তিনিজনকৈ সেনা জোৱান আহত হোৱাৰ বিপৰীতে আক্ৰমণকাৰী আলফা স্বাধীনৰ গোটটো ঘটনাস্থলীৰ পৰা সুকলমে কাকপথাৰ বজাৰৰ অভিমুখে পলায়ন কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, আক্ৰমণকাৰী উক্ত আলফা স্বাধীনৰ দলটোৱে ব্যৱহাৰ কৰা এ এছ-২৫-ই চি-২৩৫৯ নম্বৰৰ বাহনখন পুৱাৰ ভাগত শদিয়া আৰক্ষী জিলাৰ অধীনস্থ ছৈখোৱাঘাট থানাৰ এলেকাধীন অসম-অৰুণাচলৰ সীমান্তৱৰ্তী মচবাৰী গাঁৱৰ ডিৰাক চুমনি মথাউৰিৰ টেঙাপানী নৈৰ পাৰত উদ্ধাৰ হোৱাত দলটো টেঙাপানী নৈ অতিক্ৰম কৰি সীমান্ত টেঙাপানী গাঁও হৈ অৰুণাচলৰ দিশে পলায়ন কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। উদ্ধাৰ কৰা বাহনখনত সংযোজিত ৰেহৰূপ দেখি দলটোৱে সম্পূৰ্ণ পৰিকল্পনা কৰি ভাৰতীয় সেনাক আক্ৰমণৰ লক্ষ্য কৰি আহিছিল বুলি অনুমান কৰিব পাৰি। আলফা স্বাধীনৰ প্ৰচাৰ বিভাগৰ ২য় লেঃ ঈশান অসমৰ স্বাক্ষৰিত এক প্ৰেছ বিবৃতিৰ জৰিয়তে ১৭ অক্টোবৰৰ নিশাৰ এই ঘটনা আলফা স্বাধীনৰ দ্বাৰা সংঘটিত কৰা বুলি স্বীকাৰ কৰে। বিবৃতিটোত আলফা স্বাধীনে এয়া ঔপনিৱেশিক ভাৰতীয় দখলদাৰী বাহিনীৰ বিৰুদ্ধে 'অভিযান প্ৰতিশোধ' বুলি উল্লেখ কৰি কয়,'ঔপনিৱেশিক ভাৰতীয় শাসকে তাৰ দখলদাৰী বাহিনীৰ দ্বাৰা যিমানেই অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰেৰে আমাৰ সংগঠনক নিঃশেষ কৰিবলৈ নিবিচাৰক কিয়, সিয়ে আমাক কোনোকালেই আমাৰ ঈপ্সিত লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শৰ পৰা বিচলিত কৰিব নোৱাৰে। বৰঞ্চ দখলদাৰী বাহিনীৰ তেনে বৰ্বৰতাই আমাক আমাৰ মনোবল আৰু অধিক দৃঢ় কৰাত প্ৰেৰণা আৰু উৎসাহহে যোগাব।'


## ENGLISH NEWS SECTION

# Governor interacts with students undergoing special classes under the 'Governor Assam Pratibha Protsahan Yojana 2025' in New Delhi



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya, today met the aspirants from Assam who have been selected for free UPSC CSE coaching under the 'Governor Assam Pratibha Protsahan Yojana 2025' at Assam Bhavan, New Delhi. He interacted with them and took stock of their progress and the benefits there are deriving from the special classes.During the interaction, the Governor encouraged the students to pursue their civil service preparation with commitment, discipline, and dedication Governor expressed happiness over their enthusiasm and wished them success in their pursuit towards becoming civil servants. The aspirants, who have now commenced their preparation at leading coaching institutions in New Delhi, also shared their experiences with the Governor. It may be mentioned that the aspirants were chosen after a rigorous process of screening, counseling, essay test, and personal interview held earlier this month in Guwahati. The scheme, launched under the initiative of Raj Bhavan Assam in collaboration with Arya Pratibha Vikas Sansthan under the aegis of Akhil Bharatiya Dayanand Sewashram Sangh, with an aim to providing quality coaching and mentorship to deserving aspirants from the state for the Civil Services Examination. The 'Governor Assam Pratibha Protsahan Yojana' is a flagship initiative of Raj Bhavan Assam, striving to nurture and empower talented youth from the state to achieve excellence in national competitive examinations and contribute to the vision of Viksit Bharat.

## 3 Afghan cricketers killed in Pak strike



RB News: The Afghanistan Cricket Board (ACB) has confirmed the death of three cricketers, Kabeer, Sibghatullah, and Haroon, in a Pakistani airstrike in the border Paktika province. The ACB stated that "after returning home to Urgun, they were targeted during a gathering" in what it described as "a cowardly attack carried out by the Pakistani regime." ACB also announced its withdrawal from the upcoming Tri-Nation T20I series involving Pakistan.

## Brahmaputra Valley Film Festival delayed in Zubeen Garg's honour



RB News: The 10th edition of Assam's Brahmaputra Valley Film Festival has been postponed in honour of singer Zubeen Garg's death, said organisers. The festival, which was scheduled to be held between December 4 and 7, will be organised sometime in 2026. The official statement read, "It doesn't feel right to celebrate when heart of our culture's in mourning. This year, we pause to remember, to reflect and to honour him."

## UAE seals T20 World Cup 2026 spot after defeating Japan



RB News: The UAE cricket team has qualified for ICC Men's T20 World Cup 2026, after it beat Japan in a thumping 8-wicket win.With their victory over Japan on Thursday, the UAE has joined Nepal and hosts Oman to complete the 20-team lineup for next year's global tournament in the shortest format, to be held in India and Sri Lanka. A total of 20 teams will participate as UAE joins India, Sri Lanka, Australia, England, New Zealand, Pakistan, West Indies, Bangladesh, South Africa, USA, Ireland, Canada, Italy, Afghanistan Netherlands, Namibia, Zimbabwe, Nepal and Oman.

## Rajat Patidar hits maiden First Class double ton in Ranji Trophy



RB News: Playing in his first match after being appointed the all-format skipper of Madhya Pradesh, Rajat Patidar scored his maiden First Class double century during the Ranji Trophy 2025 match against Punjab in Indore on Friday. His previous highest score was 196, which he had scored against Tamil Nadu in Ranji Trophy 2018. Meanwhile, Madhya Pradesh has scored 519 runs at the end of Day 3 against Punjab.

## Tanvi becomes 1st Indian female in 17 yrs to secure World Junior medal in badminton




RB News: Tanvi Sharma became the first Indian to secure a BWF World Junior Championships medal in 17 years when she fought back from a game down to beat Japan's Saki Matsumoto and reach the girls singles semifinals here on Friday. The 17year-old kept her nerves under pressure and found winners with her cross-court slice hits to beat Matsumoto 13-15 15-9 15-10 in a 47-minute quarterfinal clash that kept the spectators on edge at the National Centre of Excellence. The last Indian female player to win a world junior medal was Saina Nehwal in 2008.

## India's Kiran Navgire breaks world record




RB News: Maharashtra opener Kiran Navgire on Friday broke the world record for smashing the fastest hundred in women's T20 cricket history. Navgire slammed hundred off 34 deliveries against Punjab in a Senior Women's T20 Trophy match to set the record. The previous record was held by New Zealand's Sophie Devine, who hit a 36-ball ton in a domestic T20 in 2021.

# পোহৰৰ উৎসৱ দীপাৱলী

বিশ্বজিৎ বৈশ্য, বংশৰ, শুৱালকুছি



শৰৎ কালত উদযাপন কৰা আটাইতকৈ জাকজমকতাৰ উৎসৱটোৱে হৈছে দীপাৱলী, দেৱালী বা দীপান্বিতা। নিয়ম অনুসৰি কাতি মাহৰ অমাৱস্যা তিথিৰ দিনা পালন কৰা হয় “দীপাৱলী”। এই উৎসৱক পোহৰৰ উৎসৱ বুলিও কোৱা হয়। সেই অনুসৰি অন্ধকাৰক নাশিবলৈ, শাৰী শাৰী বন্তি প্ৰজ্বলনেৰে চৌদিশে পোহৰাই তোলা হয় দীপাৱলীৰ নিশা ।আৰু যেতিয়া লংকা পতি ৰাৱণক বধ কৰি সীতা মাক যেতিয়া অযোধ্যালৈ অনা হয় তেতিয়া ও ৰাজ্য বাসীয়ে আনন্দত আত্মহাৰা হৈ চাকি-বন্তি জ্বলাই “দীপাৱলী” পালন কৰিছিল। কিছুমান কথাত আমি সকলোৱে গুৰুত্ব দিয়া উচিত বিশেষকৈ ঘৰৰ কাষত নৱজাতক বা অসুস্থ ৰোগীয়া মানুহ থাকিলে পৰাপক্ষত সেই ঠাইত উচ্চ প্ৰাবল্যৰ শব্দ বা বায়ু প্ৰদুষণৰ সৃষ্টি কৰিব পৰা কোনো বস্তু ব্যৱহাৰ কৰিব নালাগে। এজন সমাজ সচেতন লোক হিচাপে সকলোৱে সেইকণ নৈতিক জ্ঞান থকাটো উচিত। কাৰণ, সেই পৰিৱেশে যে কাৰোবাৰ অনিষ্ট সাধন কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখটো দৰকাৰ। বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়।



ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মঁহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286